» বছৰ ১, সংখ্যা ৮

# নিউ ইণ্ডিয়া সমাচাৰ

» ১৬-৩১ অক্টোবৰ, ২০২০
বিনামূলীয়া বিতৰণৰ বাবে



# সাধাৰণ লোকলৈ ডেউকা

প্ৰধানমন্ত্ৰীৰ ‘হাৱাই চেণ্ডেল’ পৰিহিত লোকলৈ ‘হাৱাই জাহাজ’ৰ সপোন বাস্তৱায়িত কৰিলে উড়ানে

খণ্ড ১৬: ২৭ ছেপ্টেম্বৰ, ২০২০



# “আমাৰ কৃষকসকল আৰু গাঁওসমূহ আত্মনিৰ্ভৰ ভাৰতৰ মূল আধাৰ”

**মন কী বাতৰ শেহতীয়া সংস্কৰণটোত প্ৰধানমন্ত্ৰীগৰাকীয়ে সাধু কোৱা, কৃষি খণ্ডত সংস্কাৰ সন্দৰ্ভত কোৱাৰ লগতে মুক্তি যুঁজাৰু আৰু সংস্কাৰকসকললৈয়ো প্ৰণিপাত জনায়**

**সাধু কোৱাঃ** ক'ৰোনা সংকটে পৰিয়ালৰ সদস্যৰ মাজত মিলা-প্ৰীতি বঢ়াইছে। প্ৰতিটো পৰিয়ালতে সাধু ক'ব পৰা এজন প্ৰৌঢ় সদস্য থাকে, যিয়ে অনুপ্ৰেৰণা যোগায় আৰু ঘৰখনত নতুন প্ৰাণৰ সঞ্চাৰ কৰে। সাধু কোৱাটো এক কলা। সাধুৰ ইতিহাস মানৱ সভ্যতাৰ সমানে পুৰণি। য'ত এটা আত্মা থাকে, তাতেই এটা সাধু থাকে।

**বিদেশত ভাৰতঃ** মালিৰ কিটাস্থিত এখন বিদ্যালয়ৰ শিক্ষক চীডু ডেম্বেলেৰ এক অন্য পৰিচয় আছে। তেওঁক মানুহে হিন্দুস্তানী বাবু বুলি কয়। প্ৰতি দেওবাৰে, তেওঁ এঘন্টা-জোৰা “ইণ্ডিয়ান ফ্ৰিকুৱেন্সী অন বলিউড ছংছ” শীৰ্ষক ৰেডিঅ' অনুষ্ঠান উপস্থাপন কৰে!

**কৃষিঃ** ক'ৰোনাৰ জটিল সময়ত, আমাৰ কৃষি খণ্ড আৰু কৃষক সমাজে প্ৰাণোচ্ছলতা দেখুৱাইছে। কৃষি খণ্ড, আমাৰ কৃষক সমাজ আৰু আমাৰ গাঁওসমূহ হৈছে আত্ম নিৰ্ভৰ ভাৰত ৰ মূল আধাৰ।

**মহাৰাষ্ট্ৰঃ** প্ৰায় তিনি-চাৰি বছৰ পূৰ্বে, চৰকাৰখনে মহাৰাষ্ট্ৰত এপিএমচিৰ আওতাৰ পৰা ফল-মূল আৰু শাক-পাচলিক বাহিৰত ৰাখিছিল, যাৰ ফলত বহু ফল-মূল আৰু শাক-পাচলি উৎপাদকৰ অৱস্থা উন্নত হৈ পৰে। শ্ৰী স্বামী সামৰ্থ ফাৰ্ম প্ৰডিউচাৰ কোম্পানী লিমিটেড নামৰ ফাৰ্মাৰ প্ৰডিউচাৰ সংস্থাটোৱে পুনে আৰু মুম্বাইৰ সাপ্তাহিক বজাৰত উৎপাদিত সামগ্ৰী বিক্ৰী কৰাত কৃষকসকলক সহায় আগবঢ়ায়। এই বজাৰসমূহত, প্ৰায় ৭০ খন গাঁৱৰ প্ৰায় ৪,৫০০ কৃষকৰ উৎপাদিত সামগ্ৰী মধ্যভোগী অবিহনে বিক্ৰী হয়!

**তামিলনাড়ুঃ** আন এটা উদাহৰণ দাঙি ধাৰিবলৈ সক্ষম হৈছে তামিলনাড়ুৱে, য'ত কৃষক ৰাইজে লগ হৈ বানানা ফাৰ্মাৰ প্ৰডিউচ কোম্পানী গঠন কৰে। ই লকডাউনৰ সময়ছোৱাত সমীপৱৰ্তী গাঁওসমূহৰপৰা কেইবা মেট্ৰিক টন শাক-পাচলি, ফল-মূল আৰু কল ক্ৰয় কৰে আৰু চেন্নাইলৈ শাক-পাচলিৰ কম্ব' কিট যোগান ধৰে।

**উত্তৰ প্ৰদেশঃ** লক্ষ্ণৌৰ কৃষকসকলৰ ইৰাদা নামৰ এনে এটা কৃষকৰ গোট আছে। লকডাউনৰ সময়ছোৱাত, ইৰাদাই পোনপটীয়াকৈ কৃষকৰপৰা ফল-মূল আৰু শাক-পাচলি ক্ৰয় কৰে আৰু এইসমূহ বজাৰত বিক্ৰী কৰে।

**গুজৰাটঃ** গুজৰাটৰ বনাচকান্তাৰ ৰামপুৰা গাঁৱৰ এজন কৃষক হৈছে ইছমাইল ভাই। নতুন পদ্ধতি, কৌশল আৰু ড্ৰিপ জলসিঞ্চনৰ প্ৰয়োগেৰে, তেওঁ আলুৰ খেতি কৰে যি এতিয়া তেওঁৰ হ'লমাৰ্ক।

**গান্ধীজী আৰু শাস্ত্ৰীজীক স্মৰণঃ** ২ অক্টোবৰ হৈছে এটা শুভ দিন। এই দিনটোত আমি মা ভাৰতীৰ দুই মহান সন্তান- মহাত্মা গান্ধী আৰু লাল বাহাদুৰ শাস্ত্ৰীক সোঁৱৰণ কৰো। যদি আমি মহাত্মা গান্ধীৰ অৰ্থনৈতিক নীতিৰ উদ্দীপনা, ইয়াৰ উপলব্ধি হৃদয়ংগম আৰু ইয়াক ৰূপায়ণ কৰিবলৈ সক্ষম হওঁ, আত্ম নিৰ্ভৰ ভাৰত অভিযানৰ প্ৰয়োজন নহ'ব।

**জেপি আৰু নানাজীলৈ শ্ৰদ্ধাঞ্জলিঃ** ১১ অক্টোবৰত, আমি ভাৰত ৰত্ন লোক নায়ক জয়প্ৰকাশ নাৰায়ণ জী আৰু ভাৰত ৰত্ন নানাজী দেশমুখৰ জন্ম বাৰ্ষিকী উপলক্ষে তেখেতসকলক স্মৰণ কৰো।

**ৰাজমাতাৰ জন্ম শতবাৰ্ষিকীঃ** ৰাজমাতা বিজয়া ৰাজে সিন্ধিয়া জীয়ে জনতাৰ সেৱাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। এই ১২ অক্টোবৰত তেখেতৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ সামৰণি পৰিব।

**ভগৎ সিংঃ** ২৮ ছেপ্টেম্বৰত, আমি শ্বহীদ বীৰ ভগৎ সিঙৰ জন্ম বাৰ্ষিকী পালন কৰো। তেখেত একেধাৰে এগৰাকী মুক্তি যুঁজাৰু, পণ্ডিত আৰু চিন্তক আছিল।

**চাৰ্জিকেল ষ্ট্ৰাইকঃ** চাৰি বছৰ পূৰ্বে এই সময়তে, চাৰ্জিকেল ষ্ট্ৰাইকৰ জৰিয়তে বিশ্বখনে আমাৰ জোৱানসকলৰ সাহসিকতা, নিৰ্ভীকতা আৰু বীৰত্ব প্ৰত্যক্ষ কৰিছিল। জোৱানসকলৰ লক্ষ্য মাথো এটাইঃ ভাৰত মাতাৰ গৰিমা আৰু সম্ভ্ৰম সুৰক্ষিত কৰা। ■

মন কী বাত শুনিবলৈ কিউআৰ ক'ডটো স্কেন কৰক

নিউ ইণ্ডিয়া
সমাচাৰ

বছৰ ১, সংখ্যা ৮

১৬-৩১ অক্টোবৰ, ২০২০

# সূচীপত্ৰ

» 1 সম্পাদকীয় » পৃষ্ঠা 02
» 2 শ্ৰদ্ধাৰ্ঘ্যঃ চৰ্দাৰ পেটেলক সোঁৱৰণ » পৃষ্ঠা 03
» 3 সংক্ষিপ্ত সংবাদ » পৃষ্ঠা 04-05
» 4 অন্তৰ্ভূত আঁচনিঃ ভৱিষ্যতৰ বাবে নগৰসমূহ » পৃষ্ঠা 06-07
» 5 আন্তঃগাঁথনিঃ পথ আৰু দলং » পৃষ্ঠা 08-9
» 6 ধ্বজাবাহী আঁচনিঃ স্কিল ইণ্ডিয়া » পৃষ্ঠা 10-12
» 7 যোগাযোগঃ গ্ৰামীণ ইন্টাৰনেট » পৃষ্ঠা 13
» 8 বিশেষ প্ৰতিবেদনঃ ফিট ইণ্ডিয়া » পৃষ্ঠা 14-16
» 9 সংসদৰ অধিৱেশন » পৃষ্ঠা 17
» 10 প্ৰচ্ছদ নিবন্ধ উড়ান আঁচনি » পৃষ্ঠা 18-22
» 11 সবলীকৰণঃ পেঞ্চিল গাওঁ » পৃষ্ঠা 23
» 12 আঁচনিঃ ডিডি ফ্ৰী ডিছ » পৃষ্ঠা 24-26
» 13 ক'ৰোনাৰ বিৰুদ্ধে যুঁজঃ » পৃষ্ঠা 27
» 14 ইউএনজিএঃ ৰাষ্ট্ৰসংঘৰ সংস্কাৰ » পৃষ্ঠা 28-29
» 15 স্তম্ভঃ পিভি সিন্ধু » পৃষ্ঠা 30
» 16 পৰিবেশঃ আত্ম-নিৰ্ভৰ গাঁও » পৃষ্ঠা 31
» 17 ইতিবাচক দৃষ্টিকোণ পৰিৱৰ্তিত ভাৰত » পৃষ্ঠা 32

**সম্পাদক**
কুলদীপ সিং ধাতৱালিয়া,
পিডিজি, পিআইবি, নতুন দিল্লী

**পৰামৰ্শকাৰী সম্পাদক**
বিনোদ কুমাৰ

**সহকাৰী পৰামৰ্শকাৰী সম্পাদক**
শৰৎ কুমাৰ শৰ্মা

**অলংকৰণ**
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

**প্ৰকাশন আৰু মুদ্ৰণ**
সত্যেন্দ্ৰ প্ৰকাশ,
ডিজি, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যনৰ হৈ

**মুদ্ৰণ**
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি-৬৬/৩, অখলা ফেজ-২
নতুন দিল্লী ১১০০২০

**প্ৰকাশিত**
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

RNI No. : DELASS/2020/78827

response-nis@pib.gov.in

# সম্পাদকৰ মেজৰপৰা

*সাদৰ নমস্কাৰ,*

আপোনালোকে নিশ্চয় নিউ ইণ্ডিয়া সমাচাৰৰ শেহতীয়া সংখ্যাৰ বাবে অপেক্ষা কৰি আছে। ৩১ অক্টোবৰত, চৰ্দাৰ পেটেলৰ ১৪৫ সংখ্যক জন্ম বাৰ্ষিকীত তেখেতক ৰাষ্ট্ৰই অভিবাদন জনাব যাক ৰাষ্ট্ৰীয় একতা দিৱস হিচাপে পালন কৰা হয়। চৰ্দাৰ পেটেলে ৰাষ্ট্ৰখনক ৰাজনৈতিকভাৱে একত্ৰিত কৰাৰ সমান্তৰালভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ লক্ষ্য অভিমুখে লৈ যোৱাত দেশখনক সঠিক ভাৱনাৰে একত্ৰিত কৰিছে আৰু নেতৃত্ব দিছে। যোৱা ছটা বছৰত ৰাষ্ট্ৰখনে বহু নতুন দিশত অগ্ৰগতি লাভ কৰিছে যাৰ উমান পাব পাৰি ভিন্ন ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভাৰতৰ সবল উপস্থিতিৰ জৰিয়তে।

চৰকাৰৰ অগ্ৰাধিকাৰৰ তালিকাখনত গাঁও, গ্ৰামাঞ্চলৰ দুখীয়া লোক আৰু কৃষক ৰাইজে সদায়েই মূল গুৰুত্বপূৰ্ণ স্থান লাভ কৰি অহাৰ সমান্তৰালভাৱে চৰকাৰখনৰদ্বাৰা নগৰীয়া দৰিদ্ৰ লোকসকলেও প্ৰাথমিক সুযোগ-সুবিধাৰ নিশ্চিতি লাভ কৰিছে।

ভাৰতৰ সাধাৰণ লোকসকলৰ বাবে বিমান যাত্ৰাৰ ইচ্ছা দীৰ্ঘদিনে অসম্পূৰ্ণ হৈয়ে ৰৈছিল। চৰকাখনৰ উড়ান আঁচনিয়ে হাৱাই চেণ্ডেল পৰিহিত লোকে হাৱাই জাহাজত উঠাতো সম্ভৱ কৰি তুলিলে। এই সংখ্যাত চৰকাৰখনৰ এনে বহু ব্যৱস্থাৰ অৱলোকন কৰা হৈছে।

ৰাষ্ট্ৰসংঘ সংস্থাৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘৰ জৰুৰী সংস্কাৰ সাধনৰ পোষকতা কৰি ৰাষ্ট্ৰসংঘৰ সিদ্ধান্ত-গ্ৰহণৰ কাঠামোৰপৰা ভাৰত কিমান দিন দূৰৈত থাকিব লাগিব বুলি সোধে। এই সংখ্যাত ৰাষ্ট্ৰসংঘলৈ তেখেতৰ বাৰ্তাক সামৰি লোৱা হৈছে।

এই আলোচনীখন চৰকাৰখনৰ মুখপত্ৰ নহয়। ই হৈছে সঠিক তথ্য আগবঢ়োৱাৰ এটি মাধ্যম।

এই আলোচনীখন গাঁও পঞ্চায়ত, জিলা পৰিষদ, পঞ্চায়ত সমিতি, পুথিভঁৰালসমূহত তথা বিধায়ক, সাংসদ, বিষয়া-বৰ্গ আৰু সাংবাদিকসকলৰ বাবে উপলব্ধ হ'ব।

এই আলোচনীখনৰ ই-বুক এতিয়া প্ৰায় ৫ কোটি লোকলৈ উপলব্ধ।

আপোনাৰ মতামত আৰু পৰামৰ্শৰ বাবে আমি আগ্ৰহেৰে বাট চাই ৰ'লো।

অনুগ্ৰহ কৰি আপোনাৰ প্ৰতিক্ৰিয়া প্ৰেৰণ কৰকঃ

ঠিকনাঃ : ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

ই-মেইল : response-nis@pib.gov.in

আপোনাৰ আশিস লৈ

(কে এছ ধাতৱালিয়া)

# বহু অভিযানৰ নেতা



***দেশখনৰ সৈতে দেশীয় ৰাজ্যসমূহৰ একত্ৰীকৰণৰদ্বাৰা, গণতন্ত্ৰৰ চমৎকাৰী সৌধ গঢ়ি তুলিছিল চৰ্দাৰ পেটেলে***

সংসদৰদ্বাৰা ৩৭০ আৰু ৩৫ক অনুচ্ছেদৰ বিলোপ সাধনৰ পাছত ২০১৯ৰ ৩১ অক্টোবৰৰ মাজনিশা জম্মু আৰু কাশ্মীৰৰ বিশেষ ক্ষমতাসম্পন্ন ৰাজ্যৰ মৰ্যদা লোপ পোৱাৰ লগে লগে দেশখনৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী চৰ্দাৰ পেটেলৰ সপোনে পূৰ্ণতা লাভ কৰে। জম্মু-কাশ্মীৰক মূল সুঁতিলৈ আনিবলৈ ৩১ অক্টোবৰ অৰ্থাৎ চৰ্দাৰ পেটেলৰ জন্ম দিৱসটোকে চৰকাৰখনে বাছি লোৱাটো এটা মাথো কাকতালীয় ঘটনা নহয়। ভাৰতে চৰ্দাৰ পেটেলৰ জন্ম বাৰ্ষিকী ৰাষ্ট্ৰীয় একতা দিৱস হিচাপে পালন কৰে।

জম্মু-কাশ্মীৰৰ একত্ৰীকৰণতকৈ 'অবিভক্ত ভাৰতৰ স্ৰষ্টা'গৰাকীলৈ অধিক উপযুক্ত শ্ৰদ্ধাঞ্জলি একোৱেই হ'ব নোৱাৰে। ২০১৯ৰ ৩১ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "চৰ্দাৰ পেটেলে এবাৰ কৈছিল যে যদি তেখেতে কাশ্মীৰৰ প্ৰসংগটোৰ দায়িত্ব লাভ কৰিলেহেঁতেন, ইয়াৰ সমাধান কৰিবলৈ বেছি সময়ৰ প্ৰয়োজন নহ'লহেঁতেন... এয়া আছিল চৰ্দাৰ চাহাবৰ আধৰুৱা সপোন।"

সংবিধান সভাত পৃথক নিৰ্বাচক মণ্ডলী বিলুপ্তকৰণ আৰু ক্ষমতাৰ হস্তান্তৰৰ সময়ছোৱাত চৰকাৰ গঠনৰ মধ্যস্থতা কৰাত তেখেতৰ ভূমিকা চিৰস্মৰণীয়। খেড়া আৰু বাৰডৌলীত তেখেতৰ জনতাক একত্ৰিত কৰাৰ কৌশল, আহমেদাবাদ পৌৰসভাত তেখেতৰ শাসনৰ ধৰণ আৰু পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰত, সংবিধানৰ খচৰা সমিতিৰ অধ্যক্ষ হিচাপে বি আৰ আম্বেদকাৰক অধিষ্ঠিত কৰাত তেখেতৰ ভূমিকা হৈছে উল্লেখযোগ্য বৰঙণি। সত্যাগ্ৰহৰ সফলতাৰ পাছত বাৰডৌলীৰ নাৰী সমাজে তেখেতক 'চৰ্দাৰ' উপাধিৰে বিভূষিত কৰিছিল।


চৰ্দাৰ পেটেলে সংখ্যালঘু, জনজাতি আৰু বহিৰ্ভূত এলেকা, মৌলিক অধিকাৰ আৰু প্ৰাদেশিক গঠনৰ বাবে দায়বদ্ধ সমিতিসমূহৰ অধ্যক্ষ হিচাপে মূল ভূমিকা পালন কৰিছিল। সংবিধানখনত দুটা অনুচ্ছেদ গৃহীতকৰণত তেখেতে মূল হস্তক্ষেপ কৰিছিল যিয়ে ৰাজনৈতিক হস্তক্ষেপৰপৰা চিভিল সেৱকসকলক সুৰক্ষিত কৰিছিল আৰু তেওঁলোকৰ চৰ্তাৱলী আৰু বিশেষাধিকাৰৰ নিশ্চিতি প্ৰদান কৰিছিল।

তেখেতৰ নেতৃত্ব আৰু ৰাজনৈতিক সূক্ষ্ম বিচাৰশক্তিক

**জন্মঃ ৩১ অক্টোবৰ, ১৮৭৫**
**মৃত্যুঃ ১৫ ডিচেম্বৰ, ১৯৫০**

গান্ধীজীয়ে প্ৰশংসা কৰি কৈছিল: "এজন নেতাৰ দক্ষতা তেওঁৰ পৰিকল্পনা কাৰ্যকৰীকৰণৰ অৰ্থে তেওঁৰ সহযোগী বাছনিৰ যোগ্যতাতে উমান পাব পাৰি। মই স্বীকাৰ কৰিবই লাগিব যে যেতিয়া মই প্ৰথমবাৰৰ বাবে বল্লভভাইক লগ পাইছিলো, এই দৃঢ় লোকজনক দেখি মই অবাক নহৈ নোৱাৰিছিলো আৰু মই বিচৰা কাম সমাধা কৰিবলৈ সক্ষম হ'ব নে নহয় তাকে লৈ সন্দেহ হৈছিল। কিন্তু মই তেখেতক বেছিকৈ জানি উঠি, তেখেতৰ সহায় ল'ব লাগে বুলি অনুভৱ কৰো... যদি তেখেতৰ সহায় নাথাকিলহেঁতেন, মই স্বীকাৰ কৰিবই লাগিব যে এই অভিযান (খেড়া সত্যাগ্ৰহ) ইমান সফলতাৰে আগুৱাই নিব পৰা নগ'লহেঁতেন।" ■

# আঠ ভাৰতীয় সমুদ্ৰতীৰৰ ‘ব্লু ফ্লেগ’ ইক’-লেবেল লাভ



স্বচ্ছ ভাৰত অভিযানে ভাৰতৰ পৰিচয় সলনি কৰি পেলাইছে। এই নতুন ইমেজৰ সুস্পষ্ট সাক্ষ্য হৈছে ১৯৮৬ ৰ পৰা ১০০ খন দেশত পালন কৰি অহা ইন্টাৰনেশ্যনেল ক’ষ্টেল ক্লীন-আপ ডে’ৰ প্ৰাকসন্ধ্যা ভাৰতৰ আঠ সমুদ্ৰতীৰলৈ ‘ব্লু ফ্লেগ’ ইক’-লেবেলৰ পৰামৰ্শ। ভাৰতীয় সমুদ্ৰতীৰৰ অৰ্থে প্ৰথমবাৰলৈ এই লেবেলৰ বাবে পৰামৰ্শ কৰা হয় গুজৰাটৰ শিৱৰাজপুৰ, দমন ও ডিউৰ ঘোঘলা, কৰ্ণাটকৰ কচাৰকোড আৰু পুডুবিদ্ৰী, কেৰালাৰ কাপ্পাদ, অন্ধ্ৰ প্ৰদেশৰ ৰুছীকোন্দা, উৰিষ্যাৰ গল্ডেন বীচ আৰু আন্দামান আৰু নিকোবৰৰ ৰাধানগৰ। কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী প্ৰকাশ জাভড়েকাৰে কয় যে সমগ্ৰ দেশৰে সমুদ্ৰতীৰসমূহ পৰিস্কাৰ কৰিবলৈ চৰকাৰখন অংগীকাৰবদ্ধ। স্বচ্ছ সমুদ্ৰতীৰ উপকূলৱৰ্তী অঞ্চলসমূহৰ পৰিৱেশৰ সাক্ষ্য।




## ছেল কোম্পানীসমূহৰ ওপৰত কঠোৰ ব্যৱস্থা

যোৱা তিনি বছৰত চৰকাৰখনে ছেল কোম্পানী চিনাক্তকৰণৰ অৰ্থে বিশেষ অভিযান চলাই আৰু ৩,৮২,৫৮ৰ টা এনে কোম্পানী বন্ধ কৰিছে। একেৰাহে দুই বা ততোধিক বছৰৰ বাবে ফাইনেন্সিয়েল ষ্টেটমেন্ট (FS) নন-ফাইলিঙৰ তথ্যৰ ভিত্তিত এই কোম্পানীসমূহ চিনাক্ত কৰি উলিওৱা হয়। কোম্পানীজ আইন, ২০১৩ৰ অনুচ্ছেদ ২৪৮ তথা কোম্পানীজ (কোম্পানীসমূহৰ পঞ্জীৰপৰা কোম্পানীৰ নাম অপসাৰণ) অধিনিয়ম, ২০১৬ৰ অধীনত আইনৰ যথাযথ প্ৰক্ৰিয়া অনুসাৰে, এই কোম্পানীসমূহক বন্ধ কৰি দিয়া হয়। যিসমূহ কোম্পানীয়ে সক্ৰিয় বাণিজ্যিক কাৰ্য-কলাপ চলাই নাৰাখে বা উল্লেখযোগ্য সম্পত্তি নথকা কোম্পানীসমূহকে সাধাৰণতে ছেল কোম্পানী বুলি কোৱা হয়। এনে কোম্পানীসমূহক সততে কৰ ফাঁকি, ক’লা ধনৰ বৈধকৰণ, অস্পষ্ট মালিকানা, বেনামী সম্পত্তি ইত্যাদিৰ বাবে ব্যৱহাৰ কৰা হয়।

## নীল শিখা বিপ্লৱৰ সূচনাৰ্থে গেছ-ভিত্তিক অৰ্থনীতি



সবকা সাথ সবকা বিকাশ ৰ দৃষ্টিৰ সৈতে ভাৰতক গেছ-ভিত্তিক অৰ্থনীতি কৰি তোলাৰ লক্ষ্যৰে চৰকাৰখনে দেশখনত ‘নীল শিখা বিপ্লৱ’ৰ সূচনা কৰিছে। এই লক্ষ্য আগত ৰাখিয়েই, চৰকাৰখনে ২৮ কোটিৰো অধিক গৃহস্থীলৈ এলপিজি সংযোগ আগবঢ়ায় তথা ৫ কোটি গৃহস্থীলৈ পিএনজি সংযোগ আগবঢ়োৱাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। যোৱা ৬ বছৰত চিএনজি ষ্টেচনৰ সংখ্যা ৯৪৭ ৰ পৰা ২,৩০০ ৰোধিকলৈ বৃদ্ধি পাইছে। দেশখনৰ ৪০০ ৰোধিক জিলাক চিটি গেছ ডিষ্ট্ৰিবিউশ্যন (CGD) নেটৱৰ্কৰে সামৰি লোৱা হৈছে। পেট্ৰ’লিয়াম আৰু নেছাৰেল গেছ ৰেগুলেটৰী ব’ৰ্ড (PNGRB)এ চিজিডি বিডিঙৰ ৰৰ সংখ্যক ৰাউণ্ড আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে, যাৰ পাছত আন ৫০-১০০ জিলায়ো পৰিস্কাৰ ইন্ধন লাভ কৰিব। কেন্দ্ৰীয় পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয় যে এই উদ্দেশ্যৰে চৰকাৰখনে ১৭,০০০ কিঃমিঃ পাইপলাইন পাৰিতকৰণৰ ব্যৱস্থা কৰিছে।

## এনচিআৰত বায়ু প্ৰদূষণৰ ব্যৱস্থাপনাৰ বাবে পিএমঅ'-এলইডি পেনেল পদক্ষেপ

দেশৰ ৰাজধানী এলেকাত শীত আৰু ফচল কটাৰ সময়ত হোৱা বায়ু প্ৰদূষণ ৰোধ কৰিবলৈ প্ৰধানমন্ত্ৰীৰ মুখ্য সচিব ড০ পি কে মিশ্ৰাৰ সভাপতিত্বত এখন উচ্চস্তৰীয় বৈঠকৰ আয়োজন কৰা হৈছিল। এই সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰস্তুতি কৰাৰ উপৰিও এয়াও লক্ষ্য কৰা হৈছিল যে শেহতীয়াকৈ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা প্ৰাথমিক ক্ষেত্ৰৰ ঋণৰ অধীনত অৱশেষভিত্তিৰ বিদ্যুৎ/ইন্ধন কাৰখানাসমূহ অন্তৰ্ভুক্ত কৰাৰ পিছত ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰ, উভয়ে সংযুক্ত ৰূপত এনে গোটক দ্ৰুত গতিত প্ৰৱৰ্তিত কৰাৰ বাবে কাৰ্য প্ৰণালী প্ৰস্তুত কৰিব লাগে। টাস্কফ'ৰ্চটোৱে বায়ু প্ৰদুষণৰ প্ৰধান কাৰকসমূহো চিনাক্ত কৰিছিল আৰু ৰাজ্য চৰকাৰ তথা বিভিন্ন মন্ত্ৰালয়ে গ্ৰহণ কৰা পদক্ষেপসমূহ পুনৰীক্ষণ কৰিছিল। বিগত দুবছৰৰ তুলনাত চপোৱা ফচলৰ অৱশেষ জ্বলোৱাৰ পৰিমাণ ৫০ শতাংশতকৈও অধিক হ্ৰাস হোৱাত তেওঁলোকে প্ৰশংসা কৰিছিল। তাৰোপৰি গুড এয়াৰ কোৱালিটী ইনডেক্স (একিউআই)ৰ পৰিমাণ বৃদ্ধি হোৱাও প্ৰত্যক্ষ কৰিছিল। পাঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশে শস্যৰ অৱশেষ জ্বলোৱা ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ বিশদভাৱে পৰীক্ষা কৰা হৈছিল য'ত তৃণমূল পৰ্যায়ৰ আৱণ্টন আৰু শস্যৰ অৱশেষসমূহৰ বাবে যন্ত্ৰাদিৰ উপলব্ধতাও অন্তৰ্ভুক্ত আছিল।



## ঘৰুৱা নিৰ্মাণৰ উত্তৰণৰ বাবে অ'ডিঅ'পি





এখন জিলা এটা সামগ্ৰী (অ'ডিঅ'পি)ক এখন জিলাৰ প্ৰকৃত সম্ভাৱনীয়তা, ইন্ধন অৰ্থনৈতিক উত্তৰণ, কৰ্ম সংস্থাপন সৃষ্টি, গ্ৰামীণ উদ্যমিতা আৰু আত্মনিৰ্ভৰ ভাৰতৰ বীক্ষণ বাস্তৱায়িত কৰাৰ বাবে এক পৰিৱৰ্তনশীল পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে। বাণিজ্য বিভাগে বৈদেশিক বাণিজ্যৰ সঞ্চালক প্ৰধান (ডিজিএফটি)ৰ জৰিয়তে ৰাজ্যিক আৰু কেন্দ্ৰীয় সংস্থাসমূহক অ'ডিঅ'পিৰ প্ৰচাৰৰ বাবে সংবদ্ধ কৰাইছে। প্ৰতিখন জিলাক এক বিশেষ সামগ্ৰীৰ উৎপাদনৰ কেন্দ্ৰস্থলীলৈ পৰিৱৰ্তন কৰাৰ বাবে, সামগ্ৰীসমূহৰ ৰপ্তানিৰ বাবে, নিৰ্মাণৰ হাৰ বৃদ্ধিৰ বাবে আৰু ভাৰতৰ বাহিৰত সাম্ভাব্য ক্ৰেতা সন্ধান কৰাৰ বাবে তথা নিয়োজনৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

## ইলেকট্ৰিক ম'বিলিটীৰ ক্ষেত্ৰত এক বৃহৎ প্ৰয়াস

জীৱাশ্ম ইন্ধনৰ ওপৰত দেশৰ নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ আৰু বাহনৰ নিৰ্গমন ৰোধ কৰিবলৈ চৰকাৰে মহাৰাষ্ট্ৰ, গোৱা, গুজৰাট আৰু চণ্ডীগড়ত ৬৭০খন বৈদ্যুতিক বাছ তথা মধ্য প্ৰদেশ, তামিলনাডু, কেৰালা, গুজৰাট আৰু প'ৰ্ট ব্লেয়াৰত ফেম ইণ্ডিয়া আঁচনিৰ পৰ্যায়-চৰ অধীনত ২৪১টা চাৰ্জিং ষ্টেচন আৱণ্টিত কৰিছে। ৩১ মাৰ্চ ২০১৯ত সমাপ্ত হোৱা প্ৰথম পৰ্যায়ত চৰকাৰে ৩৫৯ কোটি টকাৰ চাহিদা সাহায্যৰ জৰিয়তে ২,৮০,৯৮৭ খন হাইব্ৰিড আৰু বৈদ্যুতিক বাহনৰ অনুমোদন প্ৰদান কৰিছিল। পিছলৈ গধূৰ উদ্যোগ বিভাগে বিভিন্ন চহৰত ২৮০ কোটি টকাৰ ৪২৫খন বৈদ্যুতিক আৰু হাইব্ৰিড বাছৰ অনুমোদন প্ৰদান কৰিছিল। ডিএইচআইয়ে বেংগালোৰ, চণ্ডীগড়, জয়পুৰ আৰু এনচিআৰত প্ৰথম পৰ্যায়ৰ অধীনত প্ৰায় ৪৩ কোটি টকাৰ ৫২০ টা চাৰ্জিং ষ্টেচনৰো অনুমোদন প্ৰদান কৰিছিল।





# অম্রুত : মহানগৰীসমূহক 'জীৱন' প্ৰদান

**সমগ্ৰ দেশৰ ৫০০ৰো অধিক মহানগৰীক সামৰি লোৱা এই অভিযানে মহানগৰীত বসবাস কৰা নাগৰিকৰ জীৱন স্বাচ্ছন্দ্যপূৰ্ণ কৰি তোলাৰ লক্ষ্যত উপনীত হোৱাত সফল হৈছে**

চৰকাৰৰ বাবে, সকলো প্ৰত্যাহ্বানেই সুযোগ হৈ আহে। ভাৰতত দ্ৰুতগতিত হোৱা চহৰীকৰণে পানী যোগান, আৱৰ্জনা প্ৰবন্ধন, পয়-প্ৰণালী ব্যৱস্থা, পৰিবহণৰ দৰে এন্য বহু পৌৰ-প্ৰসংগত বস্তুতঃ বিয়াগোম প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। এনেবোৰ প্ৰসংগৰ ক্ষেত্ৰত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ দীৰ্ঘদিনীয়া পৰিকল্পনাৰ আধাৰত দেশৰ চহৰাঞ্চলৰ মুঠ জনসংখ্যাৰ প্ৰায় ৬০ শতাংশই বসতি কৰা ৫০০খনৰো অধিক মহানগৰীক সামৰি ২০১৫চনৰ ২৫ জুন তাৰিখে 'অটল মিছন ফৰ ৰিজুভেনেশ্যন এণ্ড আৰবান ট্ৰেন্সফৰমেশ্যন' (অম্রুত) শীৰ্ষক আঁচনিখনৰ শুভাৰম্ভ কৰিছিল।

এই অভিযানে এতিয়া পঞ্চম বৰ্ষত ভৰি দিছে, আৰু এইখিনি সময়ত লাভ কৰা সাফল্যৰ বাবে এই অভিযানে সকলো পক্ষৰ পৰা সাধুবাদ আদায় কৰিবলৈ সক্ষম হৈছে। মধ্য প্ৰদেশৰ ছেহৰৰ অথবা বডোডৰাৰ পানী যোগান প্ৰকল্পই হওক, বিজয়ৱাড়া অথবা কোচিৰ এলইডি লাইট প্ৰকল্পই হওক, চৰকাৰে দেখা সপোন প্ৰকৃতাৰ্থতে বাস্তৱায়িত হৈছে। এই পৰ্যন্ত ৬৭ লাখ 'এলইডি বাল্ব' সংস্থাপিত কৰা হৈছে, ইয়ে কেৱল ১৪৭ কোটি ইউনিট পৰিমাণৰ বিদ্যুৎ শক্তিয়েই ৰাহি নকৰে, বৰং ১২ লাখ টন পৰিমাণৰ কাৰ্বন প্ৰদূষণো হ্ৰাস কৰিব।

'অম্রুত অভিযান'ৰ অতিকে গুৰুত্বপূৰ্ণ প্ৰভাগ- 'জল জীৱন মিছন'ৰ অধীনত দেশত ২ কোটিৰো অধিক টেপ-সংযোগী পানীৰ সংযোগ প্ৰদান কৰা হৈছে। প্ৰতিদিনে ১ লাখৰো অধিক টেপ-সংযোগী পানীৰ সংযোগ দি থকা হৈছে। পৰিষ্কাৰ পানীয়ে দৰিদ্ৰ জনতাৰ জীৱনধাৰণৰ মানকে উন্নত নকৰে, বৰঞ্চ বহু ভয়াবহ ৰোগৰ পৰাও তেওঁলোকক সুৰক্ষা প্ৰদান কৰিব। বৰ্তমানতকৈয়ো ভৱিষ্যতৰ চাহিদা পূৰণ কৰিব পৰাকৈ আমাৰ মহানগৰীসমূহক মেৰামতি কৰাটো যে গুৰুত্বপূৰ্ণ আৰু ইয়ে যে 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ সাফল্যৰ বাটত শক্তি প্ৰদান কৰিব সেই কথা প্ৰধানমন্ত্ৰীয়ে সদায়ে কৈ আহিছে। এই চিন্তাকে আগত ৰাখি, 'অম্রুত মিছন'ৰ জৰিয়তে মহানগৰীসমূহত বুনিয়াদী সা-সুবিধাসমূহৰ উন্নয়ণ নিশ্চিত কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে।

# বিৰল সাফল্য

*এই অভিযানে ২০২০ চনৰ ২৫ জুনত পঞ্চম বাৰ্ষিকী উদযাপন কৰে। এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী হৰদীপ পুৰীয়ে 'এই অভিযানে প্ৰত্যাশিত ফল লাভ কৰিবলৈ সক্ষম হৈছে' বুলি মন্তব্য কৰে।*





- দেশৰ নিৰ্বাচিত ৫০০খন মহানগৰীৰ ৭৯ লাখ পৰিয়াললৈ পানীৰ নলৰ সংযোগ দিয়াৰ বিপৰীতে ৪৫ লাখ পৰিয়াললৈ অপৰিস্কাৰ পানী নিস্কাষণ নলাৰ সংযোগ প্ৰদান কৰা হয়।
- বস্তি আৰু নিম্ন আয়সম্পন্ন পৰিয়ালসমূহলৈ এনে সংযোগ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ বাবে আবণ্টিত ১,০০,০০০ কোটি টকাৰ ভিতৰৰ ৭৭,৬৪০ কোটি টকা পৰিমাণৰ ৰাজ্যৰ বাৰ্ষিক কৰ্ম পৰিকল্পনা(এছএএপি)লৈ ইতিমধ্যে অনুমোদন জনোৱা হৈছে আৰু ৭৫,৮২৯ কোটি টকা মূল্যৰ প্ৰকল্পৰ কাম তৃণমূল পৰ্যায়ত চলি আছে
- ১০,৬৫৪ কোটি টকা বিনিয়োগযুক্ত প্ৰকল্পৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে আৰু ৬৫,১৭৫ কোটি টকা পৰিমাণৰ পুঁজিৰে চলিবলগীয়া প্ৰকল্পৰ কাম ৰূপায়ণৰ অন্তিম পৰ্যায়ত আছে
- অভিযানৰ প্ৰাথমিকতা প্ৰদান কৰা খোৱাপানীৰ যোগান প্ৰকল্পসমূহৰ বাবে ৩৯,০১১ কোটি টকাৰ পুঁজি দিয়াৰ বিপৰীতে আৱৰ্জনা-নিষ্কাষণ আৰু পয়-প্ৰণালী ব্যৱস্থাৰ উন্নয়ণৰ বাবে দিয়া হৈছে ৩২,৫৪৬ কোটি টকা

## উল্লেখযোগ্য ফলাফল

- মধ্য প্ৰদেশৰ ৰত্না সোনীয়ে কয় যে ঘৰলৈ যোগান ধৰা পানী খোৱাৰ উপযোগী নাছিল আৰু প্ৰায়েই এই পানীয়ে বৃক্কত পাথৰ হোৱাৰ দৰে ৰোগৰ উদ্ভৱ কৰি আহিছিল। পিচে এতিয়া, তেওঁলোকৰ এলেকাবোৰ এনে সমস্যাৰ পৰা মুক্ত হৈছে, কিয়নো আজি-কালি যোগান ধৰা পানীৰ মান খুবেই ভাল।
- নৱী মুম্বাইৰ সঞ্জয় যোশীয়ে কয় যে আগতে আৱৰ্জনা পেলোৱা ঠাই হিচাপে ব্যৱহাৰ কৰা ঠাইডোখৰত এতিয়া পৌৰ নিকায়ে এখন সুন্দৰ উদ্যান গঢ়ি তুলিছে।

**অম্ৰুত-ৰ বিষয়ে :** সাৰ্বজনীন ভাবে বিশুদ্ধ খোৱা পানীৰ যোগান আৰু কৃত্ৰিম বানে সৃষ্টি কৰা পানীৰ নিষ্কাষণ, 'নন মটৰাইজড' চহৰীয়া পৰিবহণ আৰু সেউজ-অঞ্চল তথা উদ্যান আদিৰ বিকাশ সাধনকে ধৰি আৱৰ্জনা নিষ্কাষণ আৰু পৰিশোধনৰ সামৰ্থ্য বৰ্দ্ধনক এই অভিযানৰ জৰিয়তে সুনিশ্চিত কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই অভিযানে চহৰাঞ্চলৰ মুঠ জনসংখ্যাৰ ৬০শতাংশই বসতি কৰা ৫০০খন মহানগৰীক সামৰি লৈছে।

**প্ৰভাগসমূহ :** অম্ৰুতৰ বিভিন্ন প্ৰভাগসমূহত আছে সামৰ্থ্য বৰ্দ্ধন, সংস্কাৰৰ ৰূপায়ণ, পানী যোগান, কৃত্ৰিম বানে সৃষ্টি কৰা পানীৰ নিষ্কাষণ, চহৰীয়া পৰিবহণ আৰু সেউজ-অঞ্চল তথা উদ্যান আদিৰ বিকাশ সাধন আৰু আৱৰ্জনা নিষ্কাষণ আৰু পৰিশোধনৰ সামৰ্থ্য বৰ্দ্ধন। এই প্ৰক্ৰিয়াৰ পৰিকল্পনা কৰাৰ সময়ত, চহৰাঞ্চলৰ স্থানীয় নিকায় (ইউএলবি) সমূহে আন্তঃগাঁথনি নিৰ্মাণ প্ৰভাগত কেতবোৰ 'স্মাৰ্ট ফীচাৰ' অন্তৰ্ভুক্ত কৰিব।

- 'এলইডি লাইট'ৰে 'ষ্ট্ৰীট লাইট'ৰ প্ৰতিস্থাপন লক্ষ্য : ৯৭,৯৩,৩৮৬ প্ৰতিস্থাপিত কৰা হ'ল : ৬২,৭৮,৫৭১
- সামৰ্থ্য বৰ্দ্ধনৰ লক্ষ্য : ৪৫,০০০ প্ৰশিক্ষণ দিয়া হল : ৫২,৩২৭
- পানীৰ পাম্পৰ শক্তি জৰীপ সম্পৰ্কীয় বুজাবুজিৰ চুক্তি স্বাক্ষৰ : ৪৪৬ মহানগৰী গণনা সম্পূৰ্ণ : ৩৫৮ মহানগৰী
- মহানগৰীসমূহলৈ আগবঢ়োৱা ক্ৰেডিট ৰেটিং : ৪৮৫ সম্পূৰ্ণ হৈছে : ৪৬৮
- ভৱন নিৰ্মাণৰ অনলাইন অনুমোদন পদ্ধতি(অবিপিএছ)। দিল্লী আৰু মুম্বাইত কাম চলি আছে
- ৪৩৯ মহানগৰীত 'অম্ৰুত'ৰ ৰূপায়ণ

ড০ দাদা চাহেব বি আৰ আম্বেডকাৰ, যি গৰাকী ব্যক্তিয়ে চহৰীকৰণক সমৰ্থন কৰিছিল। আম্বেডকাৰে চহৰীকৰণক কেতিয়াও সমস্যা হিচাপে গণ্য কৰা নাছিল বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে মহানগৰসমূহত দুখীয়াৰো দুখীয়াজনেও সুযোগ লাভ কৰিব, জীৱনধাৰণৰ মান উন্নত কৰাৰ বাবে পথ মোকলাব পাৰিব বুলি তেওঁ কল্পনা কৰিছিল। প্ৰধানমন্ত্ৰীয়ে আৰু কয় যে, 'মহানগৰসমূহে সকলোকে, বিশেষকৈ আমাৰ যুৱ-প্ৰজন্মক আগুৱাই যাব পৰাকৈ অপৰিসীম সম্ভাৱনাৰ সুযোগ প্ৰদান কৰিব পাৰিব লাগিব। মহানগৰসমূহত প্ৰতিটো পৰিয়ালে সমৃদ্ধি আৰু সুখ-আনন্দৰে জীৱন অতিবাহিত কৰিব পাৰিব লাগিব। মহানগৰসমূহত প্ৰতিগৰাকী ব্যক্তি, দৰিদ্ৰ, দলিত, পিচপৰাসকল, মহিলাসকলে একোটা সন্মানজনক জীৱন অতিবাহিত কৰিব পৰা পৰিৱেশে বিৰাজ কৰিব লাগিব'। ■

SCAN QR CODE FOR PM'S COMPLETE SPEECH



# নক্সাল অধ্যুষিত এলেকাত প্ৰগতিৰ পথ


**মহাৰাষ্ট্ৰৰ গাড়চিৰলি জিলাত তিনিখন গুৰুত্বপূৰ্ণ দলং উদ্বোধন কৰাৰ লগতে দুটা পথ উন্নয়ণ প্ৰকল্পৰ কাম আগবঢ়োৱাৰ লগে লগে নক্সাল অধ্যুষিত এলেকাসমূহতো প্ৰগতিৰ এটা নতুন যুগৰ সূচনা হ'ল**

'সকলোৰে সৈতে সকলোৰে বিকাশ' সম্ভৱ কৰাৰ লক্ষ্য আগত লৈ কামত ব্ৰতী হোৱা চৰকাৰে পিচপৰা আৰু নক্সাল অধ্যুষিত অঞ্চলসমূহতো উন্নয়নমূলক কাম-কাজৰ গতি ত্বৰান্বিত কৰিবলৈ ধৰে। ''প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ বিভিন্ন প্ৰকল্পৰ উপৰি কেন্দ্ৰীয় স্থলপথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে পথ আৰু দলং নিৰ্মাণৰ বহুবোৰ পদক্ষেপ গ্ৰহণ কৰে। পৰিণতিত, অভূতপূৰ্ব গতিবেগত দেশত ঘাইপথ নিৰ্মাণৰ কাম আগবাঢ়িবলৈ ধৰে। আজিৰ তাৰিখত ২০১৪ চনৰ গতিৰ দুগুণ হাৰত কাম আগবাঢ়িবলৈ ধৰিছে।

কেন্দ্ৰীয় স্থলপথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী শ্ৰী নীতীন গাড়কাৰীয়ে যোৱা ৩০ আগষ্ট ২০২০ত মহাৰাষ্ট্ৰৰ গাড়চিৰলি জিলাত তিনিখন অতিকে গুৰুত্বপূৰ্ণ দলং আৰু দুটা পথ উন্নয়ণ প্ৰকল্পৰ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে শুভাৰম্ভ ঘোষণা কৰিছিল।

নিজামবাদ-জগদলপুৰ পথ (এনএইচ-৬৩)ৰ প্ৰাণাহিতা নৈৰ ওপৰৰ ৮৫৫ মিটাৰ দৈৰ্ঘ্যৰ, ১৬৮ কোটি টকা ব্যয় সাপেক্ষ আৰু নিজামবাদ-জগদলপুৰ পথ(এনএইচ-৬৩)ৰ ইন্দ্ৰাৱতী নৈৰ ওপৰৰ পাতাগুডাম গাঁৱৰ ৬৩০ মিটাৰ দৈৰ্ঘ্যৰ, ২৪৮ কোটি টকা ব্যয় সাপেক্ষ দলংখনৰ উপৰি লংকাচেন গাঁৱৰ ওচৰ বেজুৰপল্লী-অহেৰি পথত থকা এখন ৩০ মিটাৰ দৈৰ্ঘ্যৰ উচ্চ পৰ্যায়ৰ দলং আনুষ্ঠানিক ভাবে মুকলি কৰা হৈছে।

আনহাতে, ৰাত্ৰা আৰু ময়াবিনপেটাৰ মাজৰ বেজুৰপল্লী-অহেৰি পথ(এছএইচ ২৭৫) আৰু গৰাঞ্জি-পুছটোলা পথৰ উন্নয়ণ প্ৰকল্পৰ শুভাৰম্ভ কৰা হৈছে। এইসমূহ নতুন প্ৰকল্পৰ উদ্বোধনৰ জৰিয়তে গাড়চিৰলি জিলাত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ মুঠ দৈৰ্ঘ্য ৫৪ৰ পৰা ৬৪৭ কিলোমিটাৰলৈ বৃদ্ধি পায়। স্থলপথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে গাড়চিৰলি জিলাত ৫৪১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ বাবে ৪৪টা প্ৰকল্পৰ প্ৰস্তাৱলৈ অনুমোদন জনোৱাৰ লগতে ১৭৪০ কোটি টকাৰ এক পুঁজিও আৱণ্টিত কৰিছে। সকলো বতৰৰ বাবে উপযোগীকৈ নিৰ্মাণ কৰিবলগীয়া উন্নতমানৰ পথ-শৃংখলে আগন্তুক দুটা বছৰত বাস্তৱিকতেই গাড়চিৰলিৰ দৰে প্ৰত্যন্ত আৰু নক্সাল অধ্যুষিত জিলাৰ আৰ্থ-



"আজিৰ তাৰিখত আন্তঃগাঁথনি নিৰ্মাণ সম্পৰ্কীয় প্ৰকল্পসমূহৰ কামৰ গতি যি হাৰত আগবাঢ়িছে সেয়া অভূতপূৰ্ব বুলি পৰিগণিত হৈছে। এতিয়া ২০১৪চনৰ গতিৰ দুগুণ হাৰত ঘাইপথ নিৰ্মাণৰ কাম আগবাঢ়িছে। ইফালে ২০১৪ চনৰ আগৰ হিচাপতকৈ পাঁচগুণে বাঢ়িছে ঘাইপথ নিৰ্মাণৰ ব্যয়। আগন্তুক ৪-৫ বছৰত চৰকাৰে আন্তঃগাঁথনি নিৰ্মাণত ১১০ লাখ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজি ব্যয় কৰিব"।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

### প্ৰতি বছৰে নিৰ্মিত পথৰ তথ্য




**'নক্সালইজম'ৰে প্ৰভাৱিত ৰাজ্যসমূহ:** 'নক্সালইজম'ৰে প্ৰভাৱিত ৰাজ্যসমূহ হ'ল চত্তিশগড়, ঝাৰখণ্ড, বিহাৰ, ওড়িশা, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা আৰু মহাৰাষ্ট্ৰ। ২০১৯ চনত ৬৭০টা হিংসাত্মক ঘটনা সংঘটিত কৰিছিল নক্সালসকলে, যিসমূহ ঘটনাত ১৫০গৰাকী সাধাৰণ নাগৰিক, ৫২গৰাকী নিৰাপত্তা বাহিনীৰ লোক আৰু ১৪৫ গৰাকী নক্সাল উগ্ৰপন্থী নিহত হোৱাৰ বিপৰীতে ১,২৬৭ গৰাকী নক্সাল উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হৈছিল।

### এই পৰ্যন্ত নিৰ্মাণ কৰা পথসমূহ (কিলোমিটাৰ)

| | |
|---|---|
| ৰাষ্ট্ৰীয় ঘাইপথ | ১,৩২,৫০০ |
| ৰাজ্যিক ঘাইপথ | ১,৫৬,৬৯৪ |
| অন্যান্য পথ | ৫৬,০৮,৪৭৭ |
| মুঠ দৈৰ্ঘ্য | ৫৮,৯৭,৬৭১ |

সামাজিক উন্নয়ণ ত্বৰান্বিত কৰি সামগ্ৰিক প্ৰেক্ষাপটেই সলাই পেলাব, জিলাখনে সামগ্ৰিক ভাবে একধৰণৰ ৰূপান্তৰ প্ৰত্যক্ষ কৰিব পাৰিব বুলি মন্তব্য কৰে নীতীন গাড়কাৰীয়ে।

### নক্সাল আক্ৰমণ প্ৰতিহত কৰিব পৰাকৈ আৰক্ষী চকী স্থাপন

নক্সাল উগ্ৰপন্থীয়ে সৃষ্টি কৰা ভাবুকিৰ মাজতো গাড়চিৰলি জিলাত সুকলমে কাম সম্পূৰ্ণ কৰাৰ বাবে অভিযন্তা আৰু ঠিকাদাৰসকলক অভিনন্দন জ্ঞাপন কৰা নীতীন গাড়কাৰীয়ে কয় যে 'এয়া এক যুদ্ধ সদৃশ পৰিস্থিতি আৰু সেয়ে ইয়াত এটা আৰক্ষী চকী অচিৰেই স্থাপন কৰা হ'ব'। তেওঁ, ৱেইনগংগা, বন্দিয়া, পেৰিকোটা আৰু পেৰিমিলি নৈৰ ওপৰত ৪খন গুৰুত্বপূৰ্ণ দলং নিৰ্মাণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ নিৰ্মাণে অঞ্চলটোৰ যাতায়াত ব্যৱস্থা উন্নত কৰাৰ লগতে গাড়চিৰলি জিলাৰ আৰ্থ-সামাজিক উন্নয়ণৰ বাবেও অতিকে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব।


### ক'ভিড-১৯ৰ সময়ছোৱাত নিৰ্দ্ধাৰণ কৰা লক্ষ্যতকৈ ৪০০ কিলোমিটাৰ আধিক দৈৰ্ঘ্যৰ পথ নিৰ্মাণ


ক'ৰোনা ভাইৰাছ মহামাৰীৰ মাজতো পথ নিৰ্মাণৰ ক্ষেত্ৰত অভিলেখ ৰচনা কৰিব পৰা গৈছিল। এইখিনি সময়ত কেৱল নিৰ্দ্ধাৰিত লক্ষ্যতে উপনীত হোৱা নাছিল, বৰং ৪০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ পথ অতিৰিক্ত ভাবে নিৰ্মাণ কৰা হৈছিল। এপ্ৰিল আৰু আগষ্ট মাহৰ মাজৰ সময়খিনিত শ্ৰমিকৰ এক বৃহৎ প্ৰব্ৰজন প্ৰত্যক্ষ কৰা হৈছিল। এনে পৰিস্থিতিত প্ৰকল্পসমূহৰ কাম-কাজ বন্ধ কৰিবলগীয়া হোৱা অথবা বিলম্ব হোৱাৰ আশংকাই ছানি ধৰিছিল। অৱশ্যে সময়ত লোৱা উচিত প্ৰবন্ধন আৰু প্ৰস্তুতিৰ সুবাদত স্থলপথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে নিৰ্দ্ধাৰিত লক্ষ্য ২৭০০ কিলোমিটাৰেই নহয়, বৰঞ্চ ৪০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথকে ধৰি ৩১০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰিবলৈ সক্ষম হয়। এক অনুষ্ঠানত মন্ত্ৰী গাড়কাৰীয়ে কয় যে. ক'ৰোনা ভাইৰাছৰ মাজতো চৰকাৰে দ্ৰুত গতিত পথ নিৰ্মাণৰ কাম অব্যাহত ৰাখিছিল। খৰতকীয়াকৈ ঠিকাসমূহ বিতৰণ কৰাৰ ফলত পথ নিৰ্মাণৰ কামে অধিক গতি লাভ কৰিবলৈ সক্ষম হৈছিল। ■





# নতুন উচ্চতা জুখিবলৈ দক্ষতা

যুৱ-প্ৰজন্মক কৰ্মঠ মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ হ'লে নতুন ধৰণৰ দক্ষতাৰ জ্ঞান দিয়াতো অতিকে জৰুৰী হয়। ২০১৫ চনৰ ১৫ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া 'দক্ষ ভাৰত মিছন' আৰম্ভ কৰিছিল তেতিয়া ঔদ্যোগিক খণ্ডৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি যুৱ-প্ৰজন্মক দক্ষতা বৰ্দ্ধনৰে আত্মবিশ্বাসী কৰি তুলি জীৱিকা অৰ্জনৰ বাবে উপযুক্ত কৰি তোলাৰ উদ্দেশ্যক সাৰোগত কৰা হৈছিল। এই প্ৰয়াসৰ সুবাদতে যোৱা ৫টা বছৰত প্ৰায় ৫.৫২ কোটি যুৱক-যুৱতীয়ে দক্ষতা বিকাশৰ সুযোগ লাভ কৰে।


Aizaz Ahmad Dar


Ayan Ghosh

জম্মু আৰু কাশ্মীৰৰ বাডগাম জিলাৰ এটা দূৰণীবটীয়া অঞ্চলৰ এজাজ আহমদ ডাৰ আৰু পশ্চিম বংগৰ আয়ান ঘোষৰ দৰে যুৱকৰ সপোন দিঠকত পৰিণত হৈছিল এই 'দক্ষ ভাৰত মিছন'ৰ জৰিয়তে। উচ্চতৰ মাধ্যমিকৰ শিক্ষা সাং কৰাৰ পিচতো এজাজে এক অসহায় পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁৰ এগৰাকী বন্ধুৰ পৰামৰ্শ মৰ্মে তেওঁ বাডগামত থকা 'প্ৰধানমন্ত্ৰী কৌশল কেন্দ্ৰ'(পিএমকেকে)ত 'ফ্ৰন্ট অফিচ এছোচিয়েট' ৰ পাঠ্যক্ৰমত যোগদান কৰিছিল। ইয়াতে তেওঁ প্ৰশিক্ষণ আৰু আখৰা সাক্ষাৎকাৰৰে সহযোগিতাও লাভ কৰে। পিচত, তেওঁ শ্ৰীনগৰ বিমান বন্দৰত থকা 'কেএফচি'ত নিযুক্তি লাভ কৰে। আজিৰ তাৰিখত তেওঁ এটা



## পাঁচটা বছৰত লাভ কৰা সাফল্য

- ২০১৪ চনত দেশত ১০,৭৫০খন 'আইটিআই' আছিল। বিগত পাঁচটা বছৰত প্ৰায় ৫০০০খন নতুন 'আইটিআই' মুকলি কৰা হ'ল। এইসমূহ প্ৰতিষ্ঠানত শেহতীয়া ৫ বছৰত নামভৰ্তিৰ সংখ্যা ২৭.৫৬ লাখলৈ বৃদ্ধি পালে। ২০১৫ চনৰ তুলনাত ৮৫.৫ বৃদ্ধিৰে 'আইটিআই'সমূহৰ সামৰ্থ্য ৩৪.৬৩ লাখলৈ বৃদ্ধি পালে।

- ২০১৪ চনত প্ৰায় ৭০লাখ প্ৰশিক্ষিত আৰু প্ৰমাণ পত্ৰ-প্ৰাপক যুৱক-যুৱতী আছিল। এতিয়া প্ৰতি বছৰে প্ৰায় ১ কোটি যুৱক-যুৱতীয়ে 'দক্ষ ভাৰত মিছন'ত যোগদান কৰে। বিগত ৫টা বছৰত ৫ কোটিৰো অধিক যুৱক-যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

ভাল অংকৰ দৰমহা লাভ কৰি পৰিয়ালক সহায় কৰিব পৰা হৈছে। আয়ান ঘোষে জন্মৰ পৰাই কথা ক'ব পৰা নাছিল, ইফালে চেমনীয়া কালৰ পৰাই তেওঁ কাণেৰেও নুশুনা হৈছিল। এক দূৰ্ঘটনাত তেওঁ সৰুতে পিতৃ-মাতৃকো হেৰুৱাবলগীয়া হৈছিল। খুড়াকে তেওঁৰ চোৱা-চিতা কৰিছিল। আয়ানে স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰে যদিও আয়ানে তেওঁৰ স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰিলে যদিও শাৰীৰিক দিশত বিশেষভাৱে সক্ষম হোৱাৰ বাবে উচ্চ শিক্ষা আহৰণ কৰিবলৈ অসমৰ্থ হৈছিল। কিন্তু পিএমকেকেত

## 'কৌশল ভাৰত কুশল ভাৰত'ৰ বাবে ৭টা পৰামৰ্শ

দক্ষতা থকা স্বত্বেও আনুষ্ঠানিক প্ৰশিক্ষণ আৰু ইয়াৰ প্ৰামাণিক তথ্য সমৃদ্ধ প্ৰমাণ পত্ৰ নথকাৰ বাবেই হতাশগ্ৰস্ত হোৱা দেশৰ দুখীয়া যুৱক-যুৱতীসকলক সহায় আগবঢ়োৱাই আছিল 'কৌশল ভাৰত কুশল ভাৰত' প্ৰকল্পৰ লক্ষ্য। এই প্ৰকল্পই এনে যুৱক-যুৱতীক আনুষ্ঠানিক প্ৰশিক্ষণ প্ৰদানৰ লগতে প্ৰমাণ পত্ৰ প্ৰদান কৰি তেওঁলোকক নিয়োগ যোগ্য কৰি তোলাৰ ব্যৱস্থা কৰে



'দক্ষতা বিকাশ আঁচনি' ঘোষণা কৰাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা স্পষ্ট কৰি দিছিল যে এই আঁচনিয়ে যুৱ-প্ৰজন্মৰ দক্ষতাকে বিকশিত নকৰে বৰং তেওঁলোকৰ যোগ্যতাকো নতুন মাত্ৰা প্ৰদান কৰিব। এই অভিযানৰ অধীনত ৫ কোটিৰো অধিক যুৱক-যুৱতীক বিগত পাঁচটা বছৰত প্ৰশিক্ষণ দিয়া হয়। আঁচনিখনৰ অধীনত ৩৪ লাখ যুৱক-যুৱতীলৈ ঋণো প্ৰদান কৰা হৈছে।

'স্কিল ইণ্ডিয়া'' কাৰ্যক্ৰমৰ অংশ হিচাপেই প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা'ৰ শুভাৰম্ভ কৰা হৈছিল। প্ৰশিক্ষণৰ ব্যয় বহণ কৰিব নোৱাৰা যুৱক-যুৱতীসকলক সহায় আগবঢ়োৱাৰ উদ্দেশ্যেই আঁচনিখন ৰূপায়ণ কৰা হৈছিল

Skill India
কৌশল ভারত-কুশল ভারত

পঞ্জীয়ণৰ পিচত, ৪০টা কাৰিকৰী ক্ষেত্ৰৰ এক তালিকাৰ পৰা প্ৰাৰ্থীসকলে প্ৰশিক্ষণ ল'ব বিচৰা ক্ষেত্ৰ নিৰ্বাচিত কৰিব লাগে। প্ৰশিক্ষণৰ অন্তত তেওঁলোকক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়

অন্য মন্ত্ৰালয়সমূহৰ সৈতে ঘনিষ্ঠতা ৰক্ষা কৰি আঁচনিখন সুচাৰুৰূপে ৰূপায়ণ কৰিব পৰাকৈ চৰকাৰে 'দক্ষতা বিকাশ আৰু উদ্যমশীলতা মন্ত্ৰালয়' স্থাপন কৰিছিল।

**স্কিল ইণ্ডিয়া :** ৰাষ্ট্ৰীয় দক্ষতা বিকাশ অভিকৰণ, ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগম আৰু প্ৰশিক্ষণৰ সঞ্চালক প্ৰধানে এই কাৰ্যক্ৰম ৰূপায়ণৰ ব্যৱস্থা কৰে।

'স্কিল ইণ্ডিয়া' কাৰ্যক্ৰমৰ লাভ আদায় কৰিবলৈ প্ৰাৰ্থীসকলে তেওঁলোকৰ সবিশেষ তথ্য http:// pmkvyofficial.org ত পঞ্জীভুক্ত কৰিব লাগে।

## ৫টা শাখাত ৯২জন লোকলৈ দক্ষতাৰ বঁটা

### ‘যুৱক-যুৱতীসকলে তেওঁলোকৰ দক্ষতাক নতুন গতি প্ৰদান কৰি আত্মনিৰ্ভৰ ভাৰতৰ শক্তিত পৰিণত কৰা উচিত’



কৌশলাচাৰ্য সমাদৰ, ২০২০(কৌশলাচাৰ্য সন্মান) প্ৰদান কৰাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়োৱা মন্ত্ৰৰ জৰিয়তে দক্ষতা বিকাশৰ ভূমিকাৰ গুৰুত্বক উপলব্ধি কৰিব পাৰি, য'ত তেওঁ কৈছিল, “বিশ্বৰ চাহিদা পুৰণ কৰিব পৰাকৈ এক কৰ্মশক্তি সৃষ্টি কৰাটোৱেই চৰকাৰৰ দক্ষতাৰ এজেণ্ডা আৰু এই দৃষ্টিভংগীৰ প্ৰতি লক্ষ্য ৰাখি এক শক্তিশালী দক্ষতা বিকাশৰ পৰিৱেশ গঢ়াৰ বাবে বহু প্ৰচেষ্টা হাতত লোৱা হৈছে।” তেওঁ কয়, “সমগ্ৰ দেশ আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনলৈ আহিছে আৰু এইটো অতি প্ৰয়োজন যে প্ৰতিগৰাকী ভাৰতীয়ই আত্মনিৰ্ভৰ হওক, যিহেতু আমি এক পৰিৱৰ্তনশীল সময়ত জীয়াই আছো।”

● **কৌশলাচাৰ্য বঁটাঃ** দক্ষতা বিকাশ মন্ত্ৰালয়ে প্ৰতি বছৰে কৌশলাচাৰ্য সমাদৰ প্ৰদান কৰি আহিছে। এই বছৰ পাঁচটা পৃথক শাখাত ৯২গৰাকী দক্ষ প্ৰশিক্ষাৰ্থীক এই বঁটা প্ৰদান কৰা হৈছে। তিনিগৰাকী প্ৰশিক্ষাৰ্থীক উদ্যমিতা প্ৰশিক্ষণ শাখাত, ১৫গৰাকীক জন শিক্ষণ সংস্থানৰ অধীনত বঁটা প্ৰদান কৰা হয়। তদুপৰি, ১৫গৰাকী কৰ্প'ৰেট খণ্ডৰ উপৰি ১৪গৰাকী প্ৰশিক্ষাৰ্থীক হ্ৰস্বকালীন প্ৰশিক্ষণ শাখাত আৰু ৪৪গৰাকীক দীৰ্ঘকালীন প্ৰশিক্ষণ শাখাত বঁটা প্ৰদান কৰা হয়।

কৌশালাচাৰ্য বঁটা প্ৰদান উপলক্ষে প্ৰধানমন্ত্ৰীৰ ভাষণ সম্পূৰ্ণৰূপে চাবলৈ এই কিউআৰ ক'ড স্কেন কৰক।

### দক্ষ ভাৰতৰ পাঁচ বছৰ

বিগত পাঁচ বছৰত প্ৰায় ৫,০০০ নতুন আইটিআই স্থাপন কৰা হৈছে, য'ত ৰ কোটিতকৈ অধিক যুৱক-যুৱতীৰ প্ৰশিক্ষণ দিয়া হৈছে। ৭২৩টা প্ৰধানমন্ত্ৰী দক্ষতা কেন্দ্ৰৰ উপৰি ৩৩টা ৰাষ্ট্ৰীয় দক্ষতা কেন্দ্ৰ প্ৰতিষ্ঠান খোলা হৈছে। ব্যক্তিগত প্ৰতিষ্ঠান যেনে-মাইক্ৰ'ছফট, আইবিএম, এড'ব আৰু নাছকমক এই প্ৰকল্পসমূহত জড়িত কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় দক্ষতা প্ৰতিযোগিতাত ভাৰতৰ অংশগ্ৰহণ সুনিশ্চিত কৰা হৈছে। এই পদক্ষেপসমূহৰ উপৰি আত্মনিৰ্ভৰ দক্ষ কৰ্মচাৰী, নিয়োগকৰ্তা মেপিং (অসীম) শীৰ্ষক এক প'ৰ্টেলৰ শুভাৰম্ভ কৰা হৈছে, যাতে দক্ষ চাকৰি প্ৰাৰ্থীয়ে এক স্থায়ী নিযুক্তি লাভত সহায় হয়। ভাৰতে বিশ্ব দক্ষ প্ৰতিযোগিতাত ২০১৭ চনৰ ঊনত্ৰিংশ স্থানৰ পৰা ২০১৯ বৰ্ষত ত্ৰয়োদশ স্থানলৈ উন্নীত হৈছে।

### ক'ভিড সংকটতে এক আশীৰ্বাদ


● ক'ৰোনা সংকটৰ সময়ত স্বয়ংক্ৰিয় ছেনিটাইজিং মেচিন, মাস্ক, পিপিই কিট আৰু চিকিৎসকৰ সহায়ক ৰবটৰ ডিজাইন/নিৰ্মাণ কৰাত দেশৰ প্ৰতি এই প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু আইটিআইসমূহে ব্যাপক অৱদান আগবঢ়ায়।

● স্বাস্থ্য মন্ত্ৰালয়ৰ সক্ৰিয় সহযোগত ১.৭৫ লাখ স্বাস্থ্য কৰ্মীৰ এক ডাটাবেছ প্ৰস্তুত কৰা হৈছে।

এগৰাকী চিলাই মেচিন অপাৰেটৰ হিচাপে নাম পঞ্জীয়ন কৰি তেওঁ নিজৰ দক্ষতা বিকাশ কৰাৰ লগতে বিশ্বাস গঢ়ি তুলিলে। প্ৰশিক্ষকে তেওঁৰ শাৰীৰিক অক্ষমতাৰ বাধা নেওচি আগুৱাই যোৱাত সহায় কৰিলে। আজি তেওঁ “ফ্ৰন্টিয়াৰ প্ৰটেক্টিভ ৱেৰ প্ৰাইভেট লিমিটেড”ত কাম কৰাৰ লগতে ভাল দৰমহা লাভ কৰে। একেদৰে, কেৰালাৰ কন্নুৰ জিলাৰ আজেশ আৰু দিল্লীৰ প্ৰিয়ংকাৰো নিজৰ সফলতাৰ কাহিনী আছে, য'ত তেওঁলোকৰ সপোন বাস্তৱ কৰাত দক্ষ ভাৰত অভিযানে সহায় কৰিছে। এই অভিযানৰ লক্ষ্য হৈছে যুৱক-যুৱতীসকলক এনেদৰে প্ৰশিক্ষণ দিয়া যাতে ই তেওঁলোকৰ বিশ্বাস বৃদ্ধি কৰাৰ লগতে তেওঁলোকক আৰ্থিকভাৱেও স্বাৱলম্বী কৰি তোলে। এই কাৰ্যসূচীয়ে লাখ লাখ লোকৰ বাবে তেওঁলোকৰ জীৱিকাৰ দুৱাৰ মুকলি কৰিলে। এই অভিযানে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ গতিও বৃদ্ধি হোৱাত সহায় কৰিব। ■

# প্ৰতিখন গাঁৱক অপ্টিকেল ফাইবাৰে সংযোগ কৰিব

চৰকাৰে দেশৰ আটাইতকৈ দুৰ্গম গাঁওখনত অপ্টিকেল ফাইবাৰ ইন্টাৰনেট প্ৰদানৰ দিশত কাম আৰম্ভ কৰিছে



চলিত বৰ্ষৰ স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দেশবাসীক সম্বোধন কৰাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১,০০০ দিনৰ ভিতৰত দেশৰ বাকী থকা গাঁওসমূহক অপ্টিকেল ফাইবাৰেৰে সংযোগৰ ক্ষেত্ৰত চৰকাৰৰ সংকল্পৰ কথা ঘোষণা কৰিছিল। তেওঁ কাম কৰাৰ ধৰণৰ সত্যাসত্য প্ৰমাণ কৰি, তাৎক্ষণিকভাৱে ঘোষণা কাৰ্যকৰী কৰাৰ ব্যৱস্থা অনুসৰি সেই ঘোষণাৰ প্ৰায় ৩৬দিনৰ ভিতৰতে ২০২০ৰ ২১ ছেপ্টেম্বৰত 'প্ৰতিখন গাঁৱত অপ্টিকেল ফাইবাৰৰ দ্বাৰা ইন্টাৰনেট সুবিধা' প্ৰকল্পৰ কাম আৰম্ভ কৰে। ২০১৪ পূৰ্বে দেশৰ মাত্ৰ ৫ ডজনমান পঞ্চায়তত অপ্টিকেল ফাইবাৰ ইন্টাৰনেট সেৱা উপলব্ধ হৈছিল। কিন্তু বিগত পাঁচ বছৰত ১.৫লাখ পঞ্চায়তত এই সুবিধা প্ৰসাৰিত হ'ল। এতিয়া চৰকাৰৰ লক্ষ্য হৈছে পৰৱৰ্তী ১,০০০ দিনৰ ভিতৰত ৬ লাখ গাঁৱত অপ্টিকেল ফাইবাৰ কেৱল সংস্থাপন কৰা। প্ৰধানমন্ত্ৰীয়ে কয়, "অতি শীঘ্ৰে, চহৰসমূহৰ দৰে আমাৰ গাঁওসমূহকো অনলাইন মাৰ্কেটৰ সৈতে সংযোগ কৰা হ'ব। দেশৰ প্ৰতিখন গাঁও আৰু প্ৰতিটো ঘৰে উচ্চগতিসম্পন্ন ইন্টাৰনেট লাভ কৰিব।" উচ্চগতিসম্পন্ন ইন্টাৰনেট সংযোগ প্ৰদানৰ মূল কাৰণটো হৈছে ডিজিটেল লেনদেনৰ ক্ষেত্ৰত ভাৰতক বিশ্বৰ এখন অন্যতম আগশাৰীৰ দেশত পৰিণত কৰা। দেশত কেৱল ২০২০ৰ আগষ্ট মাহতে ইউপিআইৰ জৰিয়তে ৩ লাখ কোটি টকাৰ লেনদেন সম্ভৱ হৈছে। সেয়েহে, দেশৰ গাঁওসমূহতো মানসম্পন্ন উচ্চগতিৰ ইণ্টাৰনেট লাভ কৰাটো অতি আৱশ্যক হৈ পৰিছে। ■

## প্ৰাৰম্ভিক পৰ্যায়

- ইন্টাৰনেট সেৱা প্ৰদান কৰাৰ বাবে প্ৰতিখন গাঁও আৰু সামূহিক সেৱা কেন্দ্ৰত এক ৱাই-ফাই হটস্পট স্থাপন কৰা হ'ব
- নিৰ্বাচিত চৰকাৰী প্ৰতিষ্ঠানত বিনামূলীয়াকৈ এটা ৱাই-ফাই আৰু প্ৰত্যেকতে পাঁচটাকৈ সংযোগ প্ৰদান কৰা হ'ব

## আঁচনিখনৰ উদ্দেশ্য

- সকলো গাওঁক ডিজিটেল গাঁৱলৈ ৰূপান্তৰ কৰা
- সকলো গাঁওবাসীক ডিজিটেল সবলীকৰণ কৰা, ডিজিটেল সবলীকৰণৰ প্ৰসাৰ কৰা, ডিজিটেল গাফ্ফৰ (Gulf) সংযোগ সাধন কৰা আৰু ডিজিটেল সেৱা প্ৰদান কৰা
- অন্তৰ্ভুক্তিমূলক আৰ্থ-সামাজিক উন্নয়নত উৎসাহ যোগোৱা
- এই আঁচনি ৰূপায়ণ কৰাৰ পাছত ইয়াৰ আৰ্থ-সামাজিক প্ৰভাৱ মূল্যায়ন কৰা হ'ব

## আঁচনিৰ লাভালাভ

- এই আঁচনিয়ে ই-শিক্ষা, ই-ফাৰ্মিং, টেলি-মেডিচিন, টেলি-ল' আৰু অন্যান্য সামাজিক নিৰাপত্তাজনিত আঁচনি ৰূপায়ণত সহায় কৰিব
- এটা মাউচৰ ক্লিকতে নাগৰিকসকলে সকলো ডিজিটেল সুবিধা আহৰণ কৰিবলৈ সক্ষম হ'ব
- কৃষকসকলে সময়মতে বীজ আৰু বতৰৰ তথ্য ইত্যাদি লাভ কৰিব পাৰিব; তেওঁলোকৰ বাবে এক ৰাষ্ট্ৰজোৰা বজাৰ খোলা হ'ব
- ই কৃষকসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিশ্বৰ যিকোনো স্থানত বিক্ৰীৰ অনুমতি প্ৰদান কৰিব



# ভাৰতক সুস্থ হিচাপে গঢ় দিয়াৰ এবছৰ

**সুস্থ জনতা, সুস্থ পৰিয়াল আৰু সুস্থ সমাজ- এয়াই নতুন ভাৰতক উত্তম ভাৰত হিচাপে গঢ় দিয়াৰ উপায়**
**- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী**

*দেশবাসীক তেওঁলোকৰ ফিটনেচ উন্নীতকৰণৰ চেলেঞ্জ গ্ৰহণৰ আহ্বান জনাই যোৱা বছৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিট ইণ্ডিয়া অভিযানৰ শুভাৰম্ভ কৰিছিল। ২০১৪ চনত কাৰ্যভাৰ গ্ৰহণৰ পাছত প্ৰধানমন্ত্ৰীয়ে অক্লান্তভাৱে কাম কৰি আহিছে, যিটোৱে এই প্ৰতিপন্ন কৰিছে যে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ সপোনক বাস্তৱ কৰাত মানুহৰ ফিটনেছৰ গুৰুত্ব কিমান।*

ক'ভিড-১৯ মহামাৰীৰ সময়ত এই কথা অধিক উপলব্ধি হৈছে যে নিজকে সুস্থ কৰি ৰখাটো কিমান গুৰুত্বপূৰ্ণ, কিয়নো বিশ্বৰ চিকিৎসকসকলে বাৰে বাৰে এই কথা সদৰি কৰিছে যে শাৰীৰিকভাৱে সুস্থ ব্যক্তি, তেওঁলোকৰ শক্তিশালী ৰোগ প্ৰতিৰোধ ক্ষমতাই ক'ভিড সংক্ৰমণৰ আশংকাৰ কম কৰাৰ লগতে দ্ৰুতগতিত আৰোগ্যও কৰে। এই অভিযানৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে ২০২০ৰ ২৪ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'প্ৰতিদিনে ৩০ মিনিটৰ ফিটনেচ ড'জ' শীৰ্ষক বাৰ্তাৰে 'বয়স অনুপাতে ফিটনেছ প্ৰ'ট'কল'ৰ শুভাৰম্ভ কৰে। এই নিয়মসমূহ অনুসৰণ কৰাৰ লগতে অলপ সময় কঠোৰ পৰিশ্ৰম কৰি আমি সদায় সুস্থ হৈ থাকিব পাৰো। প্ৰধানমন্ত্ৰীয়ে কয় যে ফিট ইণ্ডিয়া আন্দোলনে ইয়াৰ প্ৰাসংগিকতাক প্ৰমাণ কৰিছে আৰু আনকি ক'ৰোনা কালতো ইয়াৰ প্ৰভাৱ দেখুৱাইছে। তেওঁ কয় যে এতিয়া যোগ, ব্যায়াম, খোজকঢ়া, দৌৰা, সাঁতোৰা, ভাল খাদ্যাভাস, ভাল জীৱনশৈলী ইত্যাদিবোৰ জনসাধাৰণৰ স্বাভাৱিক সজাগতাৰ অংশ হৈ পৰিছে। তেওঁ জনসাধাৰণক যোগাভ্যাস কৰিবলৈ বা



### প্ৰধানমন্ত্ৰীয়ে কি খাই ভাল পায়

পুৱাৰ আহাৰৰ সৈতে তেওঁ কম চেনিৰে সৈতে আদা দিয়া চাহ সেৱন কৰে। তেওঁ ভালপোৱা খাদ্যৰ ভিতৰত খিচিৰি অন্যতম। এইবোৰৰ উপৰি তেওঁ ভাকৰি, খান্দভী আৰু ঢোকলাসহ গুজৰাটী খাদ্য ভাল পায়। তেওঁ ইদলি চাম্ভাৰ, দোছা আৰু পোহা খাইও ভাল পায়। দুপৰীয়া পাতলীয়া গুজৰাটী আৰু দক্ষিণ ভাৰতৰ খাদ্য গ্ৰহণ কৰে আৰু নৈশ আহাৰ হিচাপে দাল ৰুটি বা খিচিৰি আৰু দাল শাক খায়।

### প্ৰধানমন্ত্ৰীৰ কৰ্মসূচী

যোৱা মাহত ৭০ বছৰ অতিক্ৰম কৰা প্ৰধানমন্ত্ৰীৰ কঠোৰ কৰ্ম-দিন ১৮ ঘন্টালৈ বৃদ্ধি পাইছে; তেখেতে দৈনিক মাত্ৰ ৪-৫ ঘন্টা শয়ন কৰে। এনে ব্যস্ততাপূৰ্ণ সূচী সত্বেও, পুৱাৰ দৰে নিশাৰ ভাগতো প্ৰধানমন্ত্ৰীগৰাকী ইমানেই সক্ৰিয় আৰু কৰ্মশক্তিপূৰ্ণ যাৰ বাবে তেখেতক প্ৰতিদ্বন্দীসকলেও প্ৰশংসা কৰি আহিছে। পুৱা ৫ মান বজাতেই প্ৰধানমন্ত্ৰীগৰাকীয়ে শোৱাপাটি এৰে আৰু প্ৰাতঃক্ৰিয়া সমাপনৰ পাছত তেখেত প্ৰায় ৪৫ মিনিটৰ বাবে যোগাসন আৰু প্ৰাণায়ামত মগ্ন হয়।

বেডমিণ্টন, টেনিছ বা ফুটবল, কাৰাটে, কাবাডী বা তেওঁলোকে যি ভাল পায় সেয়া অন্ততঃ ৩০ মিনিট খেলিবলৈ আহ্বান জনায়।

### ফিটনেছ কিয় গুৰুত্বপূৰ্ণ

২০১৯ৰ ২৯ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিট ইণ্ডিয়া আন্দোলনৰ শুভাৰম্ভ কৰিছিল। এই আন্দোলনৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতত মধুমেহ আৰু উচ্চ ৰক্তচাপৰ দৰে বহু জীৱনশৈলী ৰোগ বৃদ্ধি পাইছে। "কেতিয়াবা আমি শুনিবলৈ পাও যে কোনো পৰিয়ালৰ ১২-১৫ বছৰ বয়সীয়া শিশু মধুমেহ ৰোগী।"

### ফিট হৈ থাকিবলৈ বিশেষ খাদ্য, নিয়মীয়া যোগাভ্যাস

প্ৰধানমন্ত্ৰীৰ স্বাস্থ্যৰ মন্ত্ৰক লৈ প্ৰায়ে প্ৰশ্ন উত্থাপন হয়। পুৱাৰ ভাগত প্ৰকৃতি আৰু যোগ তেওঁৰ দিনপঞ্জীৰ এটা অংশ। ফিটনেছৰ বাবে তেওঁ বিশেষ খাদ্যাভ্যাস গ্ৰহণ কৰে। দেশবাসীৰ সৈতে তেওঁৰ ফিটনেচৰ ভিডিঅ' প্ৰায়ে তেওঁ শ্বেয়াৰো কৰে। প্ৰধানমন্ত্ৰীয়ে খাদ্যৰ বাছনিৰ ওপৰত গুৰুত্ব নিদিয়ে, কিন্তু দৈনিক দুবাৰ নিৰ্দিষ্ট সময়ত আহাৰ গ্ৰহণ কৰে, সেয়া হৈছে-পুৱা ১০ বজা আৰু সন্ধিয়া ৭ বজা। প্ৰধানমন্ত্ৰীয়ে দীৰ্ঘদিন ধৰি এই খাদ্য গ্ৰহণৰ নিয়ম মানি আহিছে। এই খাদ্য গ্ৰহণ প্ৰক্ৰিয়া অতি কমেও ১০০ সাংসদ, বিষয়া-কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যই মানি আহিছে। ইয়াৰ জৰিয়তে বহু সাংসদৰ ওজন কমোৱাটো সহায় হৈছে। ২০১৯ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বেও প্ৰধানমন্ত্ৰীয়ে এই নিয়ম মানি চলিছিল। খাদ্য গ্ৰহণ প্ৰক্ৰিয়াৰ লাভালাভ প্ৰত্যক্ষ কৰি প্ৰধানমন্ত্ৰীয়ে অন্যান্য সাংসদসকলকো সুস্থ হৈ থকাৰ পৰামৰ্শ দিয়ে। ইয়াৰ বাবে ২০২০ৰ ফেব্ৰুৱাৰীত বাজেট অধিৱেশনৰ পূৰ্বে এক আনুষ্ঠানিক শিৰিৰো আয়োজন কৰা হৈছিল। প্ৰায় ১০০গৰাকী সাংসদে ইয়াত অংশগ্ৰহণ কৰিছিল। একেদৰে নিৰাপত্তাৰক্ষী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবেও এনে এক শিৰিৰ আয়োজন কৰা হয়, য'ত প্ৰায় ৩,০০০গৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰিছিল।

চৌপাশে চাওঁক আৰু আপুনি দেখিবলৈ পাব যে বহুলোকেই এইবোৰ ৰোগত ভুগি আছে। আগতে আমি প্ৰায়েই শুনিছিলো যে ৫০-৬০ বছৰ বয়সৰ পিছৰ পৰা হৃদৰোগৰ সম্ভাৱনা বা বিপদাশংকা বৃদ্ধি হয়, কিন্তু আজিকালি আমি শুনিবলৈ পাও যে ৩০ বছৰীয়া, ৩৫ বছৰীয়া, বা ৪০ বছৰীয়া সন্তান হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিবলগীয়া হৈছে। এই পৰিস্থিতি সঁচাকৈ অতি উদ্বেগজনক, তথাপি তাৰ মাজতো আশাৰ কিৰণ লুকাই আছে। এতিয়া আপুনি আচৰিত হ'ব যে এনেবোৰ ৰোগৰ ভয়াবহতাৰ মাজতো মই কেনেকৈ আশাৰ কিৰণৰ বিষয়ে কৈছো। মই স্বাভাৱিকতেই এগৰাকী অতি ইতিবাচক লোক। সেয়ে, মই এনে পৰিস্থিতিতো ধনাত্মক দিশ বিচাৰি লৈছো। "প্ৰধানমন্ত্ৰীয়ে আৰু কয়, "যেতিয়া আমি নিয়মীয়াকৈ ব্যায়াম কৰো আৰু নিজকে সুস্থ ৰাখো, তেতিয়া এক অনুভূতি আমাৰ মাজত প্ৰবাহিত হয়, আৰু সিয়েই কয় - হয়, আমিয়েই আমাৰ সৃষ্টিকৰ্তা। তেতিয়াই আত্মবিশ্বাস বিকশিত হয়। এগৰাকী ব্যক্তিৰ এই আত্মবিশ্বাসেই তেওঁক তেওঁৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰাত সহায় কৰে।"

## এথলীট, ফিটনেছ বিশেষজ্ঞৰ সৈতে মত বিনিময় প্ৰধানমন্ত্ৰীৰ

ফিট ইণ্ডিয়া আন্দোলনৰ প্ৰথম বাৰ্ষিকীত, প্ৰধানমন্ত্ৰী মোদীয়ে সাতগৰাকী খেলুৱৈ, ফিটনেছ বিশেষজ্ঞ আৰু অন্যান্য লোকৰ সৈতে বাৰ্তালাপ কৰে — তাৰ ভিতৰত আছে পেৰা-অলিম্পিকত জেভলিন থ্ৰোত স্বৰ্ণ বিজয়ী দেবেন্দ্ৰ ঝাঝাৰিয়া; জম্মু আৰু কাশ্মীৰৰ ফুটবল গ'লৰক্ষক আফচন আশিক; অভিনেতা আৰু মডেল মিলিন্দ সুমন; নিউট্ৰিশ্যনিষ্ট ৰুজুতা দিৱেকাৰ; স্বামী শিৱধ্যানম সৰস্বতী; ক্ৰিকেটাৰ বিৰাট কোহলী; আৰু শিক্ষাবিদ মুকুল কানিটকাৰ। এই বাৰ্তালাপৰ সময়ত প্ৰধানমন্ত্ৰীয়ে কয় যে 'ফিট ইণ্ডিয়া আন্দোলনক্স হৈছে দৰাচলতে 'হিট ইণ্ডিয়া আন্দোলনক্স।

স্বামী বিবেকানন্দৰ কথা স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, 'শক্তিয়েই জীৱন, দুৰ্বলতাই মৃত্যু। প্ৰসাৰতাই জীৱন, সংকোচনেই মৃত্যু।" ■

## ফিট ইণ্ডিয়া অভিযানৰ এবছৰীয়া যাত্ৰা

FIT INDIA

২০১৯ চনত আয়োজিত উদ্বোধনী অনুষ্ঠানত ৫৫,০০০ টা স্থানত ৩০ লাখৰো অধিক লোকে একেলগে অংশগ্ৰহণ কৰিছিল

- ফিট হৈ থকাৰ কিটিপ শিকিবৰ বাবে বিগত এটা বছৰত অন্ততঃ ১ কোটি লোকে ফিট ইণ্ডিয়া ৱেবছাইট (www.fitindia.gov.in) খুলি চাইছে
- ২.৫ লাখ বিদ্যালয়ে পঞ্জীয়ণ কৰিছে আৰু ১.৬৭ লাখ বিদ্যালয়ক ফিট ইণ্ডিয়াৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে
- বিদ্যালয়সমূহে নিশ্চিতি দিছে যে অন্ততঃ এটা 'পিৰিয়ড' ফিটনেছ আৰু খেলৰ বাবে দিয়া হ'ব।
- প্লগিং হৈছে চৌপাশটো পৰিস্কাৰ কৰি ৰখাৰ লগতে নিজকে সুস্বাস্থ্যৰ অধিকাৰী কৰি ৰখাৰ এক সঠিক উপায়।
- ফিট ইণ্ডিয়া ফ্ৰীডম ৰাণে প্ৰায় ৩০ কোটি লোকক সামৰি লৈছে
- ফিট ইণ্ডিয়া সপ্তাহত ১৫০০০ ৰো অধিক বিদ্যালয়ে অংশগ্ৰহণ কৰিছে
- ফিট ইণ্ডিয়া চাইক্লোথনত ১৬০০০ টা স্থানত অন্ততঃ ৩৫ লাখ লোকে অংশগ্ৰহণ কৰিছে।
- মহিলাসকলৰ বাবে ফিট ইণ্ডিয়া মাৰ্চৰ অধীনত তেওঁলোকৰ স্বাস্থ্যৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে

### ক'ৰোনা ভাইৰাছৰ বিৰুদ্ধে ফিট ইণ্ডিয়া

- ক'ৰোনা ভাইৰাছৰ বিৰুদ্ধে চলি থকা যুঁজখনত ফিট ইণ্ডিয়াই ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে
- লকডাউনৰ সময়ছোৱাত লক্ষ লক্ষ পৰিয়ালে এই অভিযানত অংশগ্ৰহণ কৰে আৰু ইয়াক তেওঁলোকৰ জীৱনৰ এটা অংশ কৰি লয়
- এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ অধীনত থলুৱা খেলৰ এটা শৃংখলা দেখুওৱা হৈছে আৰু ১০ লাখৰো অধিক লোকে সেয়া চাইছে। ই দেশত থলুৱা পৰম্পৰাগত খেলৰ বিষয়ে সজাগতা সৃষ্টি কৰিছে।
- ৩.৫ লাখৰো অধিক লোকে ফিটনেছ টকত অংশগ্ৰহণ কৰিছে, য'ত ক্ৰীড়াবিদসকলে তেওঁলোকৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰে।
- ভিন ভিন বয়সৰ লোকৰ বাবে ভিন ভিন নিয়ম-নীতি প্ৰস্তুত কৰা হৈছে, যেনে ৫-১৮ বছৰ, ১৮-৬৫ বছৰ আৰু ৬৫ বছৰৰ উৰ্ধ্বৰ

SCAN QR CODE FOR PM'S COMPLETE SPEECH ON FIT INDIA

# ক'ভিড-১৯ ৰ সময়ত সদনত অভিলেখ সংখ্যক বিধেয়ক গৃহীত কৰা হয়

**সংসদৰ বৰ্ষাকালীন অধিবেশনৰ সময়ত, লোকসভা আৰু ৰাজ্যসভাৰ উৎপাদনশীলতা ১০০ শতাংশতকৈ অধিক আছিল। প্ৰৱৰ্তন কৰা আটাইকেইটা অৰ্থাৎ ১০০ টা অধ্যাদেশেই সংসদৰ আইনৰ দ্বাৰা প্ৰতিস্থাপিত হৈছিল আৰু ৰেকৰ্ড সংখ্যক বিধেয়ক গৃহীত কৰা হৈছিল।**

চৰকাৰে ইয়াৰ উন্নয়নৰ প্ৰচেষ্টা গতিশীল কৰি ৰখাৰ মাজতে ১৪ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হোৱা আৰু কোনো বিৰতি অবিহনে ২০২০ চনৰ ২৩ ছেপ্টেম্বৰত সমাপ্ত হোৱা সংসদৰ বৰ্ষাকালীন অধিবেশন অনুষ্ঠিত কৰে। দেশ COVID-19 মহামাৰীৰ সন্মুখীন হোৱা স্বত্বেও অধিবেশনখন অতি উপযোগী প্ৰমাণিত হৈছিল। অধিৱেশনৰ সময়ত সংসদত ২৭ খন বিধেয়ক পাছ কৰা হৈছিল যিটো প্ৰতিদিনে গড়ে ২.৭ খনকৈ বিধেয়ক পাছ কৰাৰ যোগেদি সৃষ্টি হৈছে এক ৰেকৰ্ড। চৰকাৰে কৃষক, শ্ৰমিক, শিক্ষা, স্বাস্থ্য আৰু আন বহুতো পৃথক পৃথক বিষয় সম্পৰ্কীয় বিধেয়ক পাছ কৰিছে যিবোৰে আত্মনিৰ্ভৰ ভাৰত শীৰ্ষক প্ৰচেষ্টাক শক্তিশালী কৰিব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে অনুচ্ছেদ ৮৫-ৰ সাংবিধানিক প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ আৰু অত্যাৰশ্যকীয় আইনী আৰু অন্যান্য ব্যৱসায় কৰিবৰ বাবে, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় আৰু গৃহ মন্ত্ৰালয়ৰ সকলো নিৰ্দেশনা অনুসৰণ কৰি অপৰিসীম ব্যৱস্থাৰে ক'ৰোনা ভাইৰাছ মহামাৰী পৰিস্থিতিৰ সময়তে এই অধিৱেশন অনুষ্ঠিত কৰা হৈছিল।■





## বৰ্ষাকালীন অধিবেশনৰ এক অৱলোকন

- ১৪ ছেপ্তেম্বৰৰ পৰা ২৩ ছেপ্তেম্বৰ, ২০২০ তাৰিখলৈ ১০ টা দিনত ১০ খন অধিৱেশন অনুষ্ঠিত হৈছে।
- লোকসভাৰ উৎপাদনশীলতা আছিল ১৬৭ শতাংশ আৰু ৰাজ্যসভাৰ উৎপাদনশীলতা আছিল ১০০.৪৭ শতাংশ।
- অধিৱেশনকালত ২২ খন বিধেয়ক উত্থাপন কৰা হৈছিল (১৬ খন লোকসভাত, ৬ খন ৰাজ্যসভাত)
- সংসদৰ দুয়োটা গৃহতে ২৭ খন বিধেয়ক পাছ হৈছে, যিটো হৈছে আটাইতকৈ শ্ৰেষ্ঠতম হাৰ, সেই অনুসৰি প্ৰতিদিনে ২.৭ খনকৈ বিল পাছ হৈছে
- বৰ্ষাকালীন অধিৱেশনতে ১১ খনকৈ অধ্যাদেশ স্থলাভিষিক্ত কৰা হৈছে সদনৰ আইনৰ দ্বাৰা



# উৰক দেশৰ সাধাৰণ নাগৰিক সপোন দেখাৰ সাহস !

**উড়ান আঁচনিয়ে ক্ষুদ্ৰ আৰু মঁজলীয়া চহৰ সমূহক বিমান পৰিবহনৰ এক অনন্য ৰূপৰেখা প্ৰদান কৰিছে, এই আঁচনিৰ অধীনত আঞ্চলিক বিমান পৰিবহনৰ প্ৰসাৰৰ যোগেদি ৪৮ লাখ সাধাৰণ লোকে বিমানযাত্ৰা কৰিছে**



মূৰৰ ওপৰেৰে এখন বিমান পাৰ হৈ গ'লে নীলা আকাশলৈ বিস্ময়ভৰা দৃষ্টিৰে চোৱা সৰ্বসাধাৰণ লোকৰ বাবে বিমানত উঠাটো এটা সপোন সঁচা হোৱাৰ দৰে বিষয়। বা, মানুহৰ দ্বাৰা নিৰ্মিত পক্ষী মেচিনটোৱে নিশা অৱতৰণ কৰাৰ আগতে পিছফালে জ্বলি উঠা লাইটবোৰে নিশাও চমকিত কৰে।

বিমানৰ দ্বাৰা ভ্ৰমণ হয়তো বেছিভাগ ভাৰতীয়ৰ বাবেই সুদূৰ পৰাহত, যাৰ এতিয়ালৈ বিমানত উঠাৰ সৌভাগ্য হোৱা নাই। কিন্তু বাজেট এয়াৰলাইনছ আৰম্ভ হোৱাৰ লগে লগে, মজলীয়া আকাৰৰ কোম্পানীবোৰৰ পেছাদাৰীসকলৰ এটা বৃহৎ অংশই বায়ুপথেৰে ভ্ৰমণ কৰিবলৈ সাহস কৰিছে।

কিছুবছৰ আগলৈ বিমানেৰে ভ্ৰমণ কৰা লোকসকলে অৱতৰণ কৰা মাত্ৰকে তেওঁলোকক এয়াৰপ'ৰ্ট বা বিমানবন্দৰত মালাৰে অভ্যৰ্থনা জনোৱা হৈছিল, যেন এক সাফল্যহে লাভ কৰি আহিছে।

এতিয়া, এয়া হৈছে এক সচৰাচৰ, নিম্ন মধ্য শ্ৰেণীৰ পৰিয়ালৰ পাল যিয়ে এতিয়া বিনোদনৰ বাবে, কামৰ বাবে, ক্ষুদ্ৰ ব্যৱসায়ৰ বাবে অথবা প্ৰত্যন্ত অঞ্চলত বসবাস কৰা সম্পৰ্কীয় লোকৰ ওচৰলৈ যাবৰ বাবে বিমানযাত্ৰা কৰিব পাৰিব। যোৱা তিনি বছৰত এইসকল সাধাৰণ লোকৰ বাবে এয়া এক ভাৰ্চুৱেল ৰোলাৰ কোষ্টাৰ হৈছে যিয়ে উড়ান অৰ্থাৎ উড়ে দেশ কা আম নাগৰিক শীৰ্ষক কাৰ্যসূচী আৰম্ভ হোৱাৰ পিছত উৎফুল্লিত হৈছিল।

উড়ান আঁচনিয়ে ২০১৭ চনত ব্যাপক ক্ষীপ্ৰতা লাভ কৰে, যিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিলাষী চিন্তাৰ ফলতে হাৱাই চেন্দেল পিন্ধা লোকজনকো হাৱাই জাহাজত উঠাৰ সৌভাগ্য আনি দিলে।

### সময় আৰু ধন ৰাহি

প্ৰায় ২,৫০০ টকা ব্যয়ৰ দ্বাৰা, সাধাৰণ লোকে এঘণ্টাত ৫০০ কিলোমিটাৰ উৰিব পাৰে। বা, আনকি সেই মূল্যত ৩০ মিনিটৰ হেলিকপ্টাৰত যাতায়াতো সম্ভৱ হৈছে।

ভাৰতীয় নাগৰিকসকলে উড়ান আঁচনিখন গুৰুত্ব সহকাৰে লৈছে আৰু ২০১৬ চনৰ অক্টোবৰত এই আঁচনি ঘোষণা কৰাৰ পিছৰে পৰা ই সক্ৰিয়ভাৱে চলি আছে। উড়ানৰ অধীনত এতিয়ালৈকে ৪৮ লাখৰো অধিক লোক লাভৱান্বিত হৈছে আৰু বিমান যাত্ৰা কৰিছে। এই যুগান্তকাৰী উড়ান আঁচনি আৰম্ভ হোৱাৰ পিছত বিমান ভ্ৰমণৰ চাহিদা বৃদ্ধি হোৱাৰ লগতে, দুৰণিবটীয়া অঞ্চলৰ অৰ্ধ-চহৰীয়া আৰু বিমানকোঠৰ আন্তঃগাঁথনিয়ে গাওঁলৈ যোৱা লোকসকলৰ বাবে বিমান সংযোগ ঘটোৱাৰ ক্ষেত্ৰত এক বৃহৎ পৰিৱৰ্তন আনিছে।

এইটো বিবেচনা কৰক: স্বাধীনতাৰ পৰা ২০১৬ চনলৈকে, ভাৰতত তালিকাভূক্ত বিমান যাত্ৰীবাহী আৰু কাৰ্গো অপাৰেচনৰ সৈতে প্ৰায় ৭০ টা বিমানসেৱা আছিল। কিন্তু, উড়ানৰ অধীনত তিনি বছৰৰ ভিতৰত, ৫টা হেলিপোৰ্টসহ আন ৫০ টা বিমানবন্দৰ ২৮ৰ টা পথ সামৰি লোৱা অপাৰেটিভ বিমানবন্দৰৰ তালিকাত যোগ কৰা হৈছে। উড়ানৰ অধীনত এয়াৰলাইনছক কমেও ৭৬৬ টা পথ প্ৰদান কৰা হৈছিল।

Air India



ই বছৰেকত ১০ কোটি লোকক বিমান যাত্ৰাৰ সুযোগ প্ৰদান কৰিব। এতিয়াও বহু বাকী আছে। ২০২৬-২৭ লৈ, আন ১০০ টা বিমানকোঠ — নতুন বা বন্ধ হৈ পৰা পুৰণি বিমানকোঠবোৰ — এতিয়াৰে পৰা চাৰ্ভিচ এয়াৰলাইনৰ সৈতে ভাৰতৰ এয়াৰ মেপত থাকিব। এয়াৰ ট্ৰেভেল ব্যয়সাধ্যতাই হৈছে অতি যুগান্তকাৰী আঁচনি উড়ানৰ সফলতাৰ চাবিকাঠি, যাক সাধাৰণ টেক্সি ভাড়াৰ সৈতে তুলনা কৰিব পাৰি। যিদৰে গড়ে ৮-১০ টকাৰ মুঠ টেক্সি ভাড়া পৰিশোধ কৰা হয়, তাৰ বিপৰীতে বিমানযাত্ৰীসকলে উড়ান আঁচনিৰ অধীনত প্ৰতি কিলোমিটাৰত ৫ টকাকৈ পৰিশোধ কৰে।

উড়ানে অন্য দিশেৰেও চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই আঁচনিয়ে সেই ভ্ৰম নোহোৱা কৰিছে যে এই বিমান ভ্ৰমণ কেৱল এক নিৰ্দিষ্ট সংখ্যালঘু তথা উচ্চ শ্ৰেণীৰ যাত্ৰীসকলৰহে সুবিধা। এয়া কোনো গোপন কথা নহয় যে প্ৰধানমন্ত্ৰীয়ে সদায় সাধাৰণ মানুহৰ বাবে বিমানযাত্ৰা উপলব্ধ কৰাৰ স্বপ্ন দেখিছিল। আনকি দলৰ কৰ্মী হিচাপেও, প্ৰধানমন্ত্ৰীয়ে অটল বিহাৰী বাজপেয়ী চৰকাৰৰ দিনত তদানীন্তন অসামৰিক বিমান মন্ত্ৰী ৰাজীৱ প্ৰতাপ ৰুডীক সুধিছিল, এয়াৰ ইণ্ডিয়াৰ লোগোটো প্ৰখ্যাত কাৰ্টুনিষ্ট আৰ কে লক্ষ্মণে মহাৰজাৰ পৰা এজন সাধাৰণ মানুহলৈ উপস্থাপন কৰা বিখ্যাত ছবিখনৰ দৰেকৈ সলনি কৰিব পাৰি নেকি? পিছত যি হৈছিল সেয়া হৈছে সকলোৱেই অনুমান কৰিব পাৰে, এয়াৰ ইণ্ডিয়াই নিজকে সম্পূৰ্ণৰূপে ৰিব্ৰেণ্ডিং কৰিলে আৰু লক্ষ্মণৰ কাৰ্টুনৰ লেখীয়াকৈ সাধাৰণ মানুহৰ ওচৰলৈ লৈ গ'ল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰত দায়িত্ব গ্ৰহণ কৰাৰ মাত্ৰ দুবছৰ পিছতে ২০১৬ চনত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা এক নতুন অসামৰিক বিমান নীতিয়ে প্ৰথমে আঞ্চলিক বিমান সংযোগ আৰু সৰ্বসাধাৰণ নাগৰিকলৈ বিমান ভ্ৰমণ কৰাৰ কথা উল্লেখ কৰিছিল। আঞ্চলিক সংযোগ আঁচনি (আৰচিএছ) — উড়ানৰ অধীনত, প্ৰথমখন বিমান ছিমলাৰ পৰা নতুন দিল্লীলৈ প্ৰধানমন্ত্ৰীয়ে এপ্ৰিল ২০১৭ ত ফ্লেগ অফ কৰিছিল।

### আঁচনিটোৰ বিষয়ে

উড়ানৰ অধীনত ভাৰতে টায়াৰ-২ আৰু টায়াৰ ৩ চহৰসমূহৰ সৈতে মেট্ৰ'পলিছক সংযোজিত কৰি বিশ্বৰ ভিতৰতে তৃতীয় বৃহত্তম বিমান পৰিবহণৰ বজাৰলৈ ৰূপান্তৰিত হৈছে। বিমান সেৱাসমূহক গুৰুত্বপূৰ্ণ চহৰ

## বহুমুখী লাভালাভ

পূৰ্বে কেতিয়াও নকৰা বিমান যাত্ৰা কেৱল সাধাৰণ ভাৰতীয় নাগৰিকসকলেই যে কৰিছে তেনে নহয়, উড়ানে পৰ্যটনৰ ভেটি শক্তিশালী কৰাৰ লগতে শক্তি সাৰ্মথ্য আৰু আকাংক্ষাৰে ভৰা যুৱসকলৰ বাবেও নতুন নিযুক্তিৰ সুযোগ সৃষ্টি কৰা যেন অনুভৱ হৈছে।



**নিয়োগ ঃ** সাধাৰণ নিয়ম হিচাপে, বিমানযাত্ৰা কৰা প্ৰতিখন জাহাজে বিমানসেৱাত, বিমানবন্দৰত, চোৰা-চিতা, বিমান ট্ৰেফিক ব্যৱস্থাপনা বা সামগ্ৰী বা গ্ৰাউণ্ড অপাৰেচন সঞ্চালনৰ দৰে যাত্ৰীসকলক প্ৰদান কৰা সেৱাৰ দিশেৰে অতিকমেও ১০০ জন যুৱক-যুৱতীৰ বাবে সংস্থাপন সৃষ্টি কৰে।

উড়ানৰ অধীনত লাভালাভ সৰ্বাধিক কৰাৰ উদ্দেশ্যেৰে পৰ্যটন ক্ষেত্ৰখনক উন্নত কৰিবলৈ ৪৬ টা পথ চিনাক্ত কৰা হৈছে। ইতিমধ্যেই উল্লেখযোগ্য পৰ্যটন ক্ষেত্ৰ সামৰি লোৱা ২৩ টা পথ কেন্দ্ৰৰ পৰা কেন্দ্ৰলৈ যোগাযোগ থকাৰ দিশেৰে সক্ৰিয় হৈ আছে।

**পৰ্যটনঃ** বৌদ্ধ চাৰ্কিট, আগ্ৰা, জয়পুৰ, উদয়পুৰ, বাৰাণসী, ৰাজামুণ্ড্ৰী, গোৱা, বিদ্যানগৰ, গৌচাৰ আদি ঠাইত পৰ্যটকৰ হটস্পটবোৰৰ সৈতে বিমানযাত্ৰা সংযোজিত কৰা হৈছে। উত্তৰ-পূৰ্বৰ পৰ্যটন ক্ষেত্ৰক সমৃদ্ধ কৰিব পৰাকৈ বিভিন্ন পৰ্যটন স্থানত প্ৰৱেশ কৰিবৰ বাবে আগৰতলা-আইজল, শ্বিলং- কলকাতা, গুৱাহাটী-পাকিয়ং, ডিমাপুৰ-ইম্ফলৰ লগতে অন্যান্য ঠাইবোৰলৈ বিমানপথ সংযোগ কৰা হৈছে। আন বহুতো বিমানবন্দৰৰ লগতে আহমেদাবাদৰ সবৰমতী ৰিভাৰফ্ৰণ্ট, উত্তৰাখণ্ডৰ তেহৰী বান্ধ আৰু তেলেংগানাৰ নাগাৰ্জুন সাগৰত বিমানকোঠ নিৰ্মাণ কৰাৰ কাম পূৰ্ণ গতিত চলি আছে। এই মাহৰ শেষলৈ সাগৰীয় বিমানৰ যোগেদি বিমানযাত্ৰা কৰিবলৈ বিচৰা পৰ্যটকৰ বাবে ছৰ্দাৰ সৰোবৰ বান্ধৰ ওচৰৰ একতাৰ প্ৰতীক বা ষ্টেচ্যু অৱ ইউনিটী চাবলৈ যাব পাৰিব।

**অৰ্থনীতিঃ** সম্প্ৰসাৰিত বিমান যাতায়াত ব্যৱস্থাই ভাৰতৰ বহু ঠাইত কম ব্যয়সাধ্য মানৰ সম্পদ গঢ়ি তোলাৰ উপৰিও বিদেশী আৰু ঘৰুৱা ব্যৱসায়ৰ বাবেও আকৰ্ষণীয় কৰি তুলিব। আন্তৰ্জাতিক অসামৰিক বিমান সংস্থা (ICAO)ৰ এক শেহতীয়া অধ্যয়নে দেখুৱাইছে যে বিমান সংযোগত ৩.১ গুণৰ অৰ্থনৈতিক গুণক আৰু ছয় গুণৰ নিয়োগ গুণক থাকিব। উদাহৰণস্বৰূপে, কিষাণগড় বিমানবন্দৰৰ দিল্লী, আহমেদাবাদ, ইন্দোৰ আৰু হায়দৰাবাদৰ সৈতে স্থাপিত সংযোগৰ ফলত মাৰ্বল ট্ৰেডিং উদ্যোগৰ বাবে সুকীয়া লাভ হৈছে। ইয়াৰ ফলত, অঞ্চলটোৰ মাৰ্বল ব্যৱসায়ীসকলে যোৱা কেইবছৰমানৰ পৰা তেওঁলোকৰ ব্যৱসায়িক ৰাজহ তিনিগুণ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰিছে।

# সফলতাৰ যাত্ৰা

## সপোনৰ আৰম্ভণি

- এই আঁচনিৰ অধীনত উড়ান ১, উড়ান ২, উড়ান ৩ আৰু উড়ান ৪ -এই চাৰিটা ৰাউণ্ড অনুমোদিত হৈছিল। এই আঁচনিৰ বাবে সত্তৰটা বিমানবন্দৰ বাচনি কৰা হৈছিল। আজিৰ তাৰিখ পৰ্যন্ত ২৮১টা পথত ৫টা হেলিপ'ৰ্টকে ধৰি ৫০টা বিমানবন্দৰ কাৰ্যকৰী হৈ আছে।
- প্ৰথম তিনিটা পৰ্যায়ত ৬৮৮টা পথ বাচনি কৰা হৈছিল। প্ৰথম পৰ্যায়ত ৫৬ টা পথ কাৰ্যকৰী হৈছে, দ্বিতীয় পৰ্যায়ত ১১৮টা আৰু তৃতীয় পৰ্যায়ত ১০০টা পথ কাৰ্যকৰী হৈছে। এই পৰ্যন্ত ৭৬৬টা পথক অনুমোদন প্ৰদান কৰা হৈছে।
- মহামাৰীৰ সময়ছোৱাতো উড়ানৰ চতুৰ্থ ৰাউণ্ডত ৭৮টা নতুন পথৰ অনুমোদন প্ৰদান কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চল, পাহাৰীয়া ৰাজ্য আৰু দ্বীপপুঞ্জসমূহত গুৰুত্ব প্ৰদান কৰা হৈছে।
- অনুমোদিত পথৰ প্ৰথম তালিকাত ২৯টা সেৱা প্ৰদান কৰি থকা, ৮টা সেৱা ব্যাহত হৈ থকা (২টা হেলিপ'ৰ্ট আৰু ১টা ৱাটাৰ এৰ'ড্ৰ'মকে ধৰি), ২টা আণ্ডাৰছাৰ্ভড বিমানবন্দৰক অন্তৰ্ভুক্ত কৰা হৈছে। উড়ান ৪ৰ অধীনত হেলিকপ্টাৰ আৰু ছীপ্লেনৰ সেৱাও অন্তৰ্ভুক্ত কৰা হৈছে।

## ভৱিষ্যতৰ কামসমূহ

- এই পৰ্যন্ত ৪৮ লাখ লোক এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে। নন-মেট্ৰ' বিমানবন্দৰত ঘৰুৱা যাত্ৰীৰ সংখ্যা ৫% পৰ্যন্ত বৃদ্ধি পাইছে।
- আগন্তুক ৫টা বছৰৰ ভিতৰত ১০০০টা উড়ান পথ কাৰ্যকৰী কৰা আৰু ১০০টা বিমানবন্দৰক পুনৰুজ্জীৱিত কৰাটোৱেই হ'ল লক্ষ্য। ইয়াত ৩০টা হেলিপ'ৰ্ট আৰু ছীপ্লেনৰ বাবে ১০টা ৱাটাৰ এৰ'ড্ৰ'মৰ বিকাশো অন্তৰ্ভুক্ত হৈ আছে।
- বাৰ্ষিক ১০ কোটি লোকৰ বাবে সাহায্যমূলক ভ্ৰমণৰ ব্যৱস্থাপনাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে
- এই আঁচনিৰ অধীনত সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ সামৰি লোৱা হৈছে
- কৃষিজাত সামগ্ৰীৰ পৰিবহণৰ বাবে কৃষি উড়ান আঁচনি মুকলি কৰা হ'ব
- ৬৫০ত কৈও অধিক নতুন চহৰ সংযোজিত কৰা হৈছে আৰু এই আঁচনিৰ অধীনত অধিসূচীত কৰা হৈছে। দুশখন ইতিমধ্যেই সংযোজিত কৰা হৈছে
- দেশৰ পাঁচটা ভৌগোলিক অঞ্চলৰ সংযোজনত ভাৰসাম্যতা অনা হৈছে- উত্তৰ, দক্ষিণ, পূব, পশ্চিম আৰু উত্তৰ পূব।







"স্বাধীনতাৰ সময়ৰে পৰা ২০১৪ চনলৈ এই ৬৭ বছৰত ভাৰতত কেৱল ৬৫ টা বিমানবন্দৰ আছিল অৰ্থাৎ বছৰত এটাকৈ নিৰ্মাণ হৈছিল। এয়াই আছিল তেওঁলোকৰ ক্ষীপ্ৰতা আৰু বীক্ষণ। বিগত চাৰি বছৰত ৩৬ টা বিমানবন্দৰৰ নিৰ্মাণ কৰা হৈছে অৰ্থাৎ প্ৰতি বছৰে ৯ গুণ ক্ষীপ্ৰতাৰে ৯ টাকৈ বিমানবন্দৰ উৰণৰ বাবে প্ৰস্তুত হৈছে। এই লক্ষ্য প্ৰাপ্তি কৰিবলৈ তেওঁলোকৰ ৪০ বছৰৰ সময়ৰ প্ৰয়োজন হ'লহেঁতেন।"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী (ছিক্কিমৰ পাকয়ং বিমানবন্দৰ উদ্বোধনৰ সময়ত)

আৰু নগৰৰ সৈতে আঞ্চলিক বিমান সংযোগৰ বাবে উৎসাহিত কৰা হৈছে। প্ৰাৰম্ভিক অৱস্থাত মফচলীয় চহৰসমূহলৈ ভ্ৰমণৰ বাবে বিমান সেৱাসমূহক বিত্তীয় সুবিধা প্ৰদান কৰা হৈছে।

## বিমান সেৱাসমূহলৈ সমৰ্থন

যিকোনো পথত বিমান সেৱা আগবঢ়াই থকা বিমানসমূহ প্ৰতিদ্বন্দ্বীতামূলক নিবিদাৰ জৰিয়তে বাচনি কৰা হৈছিল। চৰ্ত এয়াই আছিল যে অতি কমেও ৫০ শতাংশ আসন আচুতীয়াকৈ ৰাখি প্ৰতি ঘণ্টাত ২৫০০ টকাত উপলব্ধ কৰোৱা হ'ব। তেনে সেৱা আগবঢ়োৱা বিমান সেৱাসমূহ প্ৰতিটো উৰণত ৯ৰ পৰা ৪০খন আসনলৈ সাহায্যৰ বাবে যোগ্য হৈছিল।

বিমান সেৱা আগবঢ়োৱা প্ৰতিষ্ঠানে উপলব্ধতা বৃদ্ধিৰ বাবে মাচুল বৃদ্ধিত সৰ্বাধিক বিমান ভাড়াৰ এক কেপ নিৰ্ধাৰণৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে আঞ্চলিক পথসমূহত বিমান সেৱা বাণিজ্যিকভাৱে কাৰ্যক্ষম কৰি তোলাৰ নিশ্চিতিৰে ভায়েবল গেপ ফাণ্ডিং (ভিজিএফ)ৰ প্ৰৱৰ্তন কৰিছে।

সেৱা ব্যাহত হৈ থকা বিমানবন্দৰসমূহত ইন্ধন আৰু আন্তঃগাঁথনিৰ বিকাশত পৃথক ৰেহাইৰ দ্বাৰা বৃহৎ বিমানসেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহ উপকৃত হোৱাই নহয় বৰঞ্চ ইয়াৰ দ্বাৰা আঞ্চলিক ষ্টাৰ্ট-আপ বিমানসেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহকো অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছে।

এভিয়েচন টাৰ্বাইন ফুৱেল আৰু সেৱা কৰ হ্ৰাসৰ দ্বাৰা বিমানসেৱাৰ আঞ্চলিক যোগাযোগ পৰিকল্পনাসমূহ অধিক কাৰ্যক্ষম হৈ উঠিছে।

ৰাজ্য চৰকাৰে ৰেহাই মূল্যত বিদ্যুৎ, পানী আৰু অন্যান্য সেৱা সহজলভ্য কৰি তুলিবলৈ তথা বিনামূলীয়াকৈ নিৰাপত্তা আৰু অগ্নি সেৱা প্ৰদান কৰিবলৈ এটিএফত এক শতাংশ অথবা তাতোকৈ কমত নিম্ন মূল্য সংযোজিত কৰৰ বাবে স্বাক্ষৰ কৰিছে। বিমানবন্দৰ অপাৰেটৰসকলেও বিমানসেৱা প্ৰদানকাৰীসকলক অৱতৰণ আৰু পাৰ্কিং মাচুল, টাৰ্মিনেল নেভিগেচন লেণ্ডিং আৰু অন্যান্য পাৰ্কিং মাচুলত ৰেহাই প্ৰদান কৰিছে। ভাৰতত আঞ্চলিক বিমানসেৱাৰ পৰিদৃশ্য পৰিৱৰ্তন হ'বলৈ ধৰিছে আৰু বিমানসেৱা উদ্যোগসমূহলৈ অফুৰন্ত সম্ভাৱনীয়তা বৃদ্ধি কৰিছে।


বিমানযাত্ৰীৰ দৃষ্টিভংগীৰ পৰা চাবলৈ গ'লে কেন্দ্ৰীয় চৰকাৰে আঞ্চলিক যোগাযোগ ব্যৱস্থাক চাৰিওফালে সমৃদ্ধ কৰিছে। তাৰোপৰি নগৰৰ উপকণ্ঠ অঞ্চল আৰু আঞ্চলিক বিমান পৰিবহণ খণ্ডত আশাৰ সঞ্চাৰ স্পষ্ট হৈ পৰিছে। ■

উড়ান আঁচনিৰ মুকলিত প্ৰধানমন্ত্ৰীয়ে প্ৰদান কৰা সম্পূৰ্ণ ভাষণৰ বাবে কিউআৰ কোড স্কেন কৰক

# পুলৱামা

## ভাৰতৰ পেঞ্চিল জিলা

চৰকাৰী পদক্ষেপৰ সহায়ত পুলৱামা জিলাৰ অখু গাঁও ভাৰতৰ ভিতৰতে 'পেঞ্চিল গাঁও' হিচাপে প্ৰসিদ্ধ হৈ উঠিছে যিয়ে দেশৰ ৯০ শতাংশ শ্লেটছৰ যোগান ধৰি আহিছে





জম্মু আৰু কাশ্মীৰৰ উগ্ৰপন্থী অধ্যুষিত পুলৱামা জিলাই ১৪ ফেব্ৰুৱাৰী ২০১৯ তাৰিখে সন্ত্ৰাসবাদৰ আক্ৰমণৰ পিছত বিভিন্ন অপযশৰ সন্মুখীন হ'বলগীয়া হৈছিল।

কিন্তু এতিয়া এই জিলাখনে 'নতুন ভাৰত'ত নিজৰ এক উপযুক্ত স্থান নিৰ্ধাৰিত কৰি পৰম্পৰাগত ৰূপেৰে উদ্ভাসিত হৈ উঠিছে। চৰকাৰী পদক্ষেপৰ সহায়ত পুলৱামা জিলাৰ অখু গাঁও ভাৰতৰ ভিতৰতে 'পেঞ্চিল গাঁও' হিচাপে প্ৰসিদ্ধ হৈ উঠিছে যিয়ে দেশৰ ৯০ শতাংশ শ্লেটছৰ যোগান ধৰি আহিছে। কেৱল ১০ শতাংশ কাঠ শ্লেটছ নিৰ্মাণৰ বাবে কেৰেলা পৰা আহে। শ্লেটছ হ'ল পেঞ্চিলৰ বাবে কাঠৰ সজাটো।

এই জিলাখনত উৎপন্ন হোৱা পপলাৰ গছৰ কাঠৰ পৰা গাঁওখনৰ বহুলোকে ঘৰৰ ভিতৰতে এই শ্লেটছ নিৰ্মাণ কৰি আছে। অখুৱে এই কেন্দ্ৰীয়শাসিত প্ৰদেশখনক নতুন পৰিচয় প্ৰদান কৰিছে যি ধীৰে ধীৰে পেঞ্চিল নিৰ্মাণৰ কেন্দ্ৰস্থলীলৈ পৰিৱৰ্তিত হৈছে। প্ৰতিডাল পেঞ্চিল আপুনি হাতত তুলি লোৱাৰ মুহূৰ্তত সেয়া হয়তো কোনো কাশ্মীৰিৰ পৰিশ্ৰমৰ ফলো হ'ব পাৰে।

অনুচ্ছেদ ৩৭০ৰ বিলোপনৰ পিছত কেন্দ্ৰই এই কেন্দ্ৰীয়শাসিত প্ৰদেশখনক মূলসুঁতিলৈ আনিবলৈ বহু পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপসমূহৰ ফলশ্ৰুতিতেই চৰকাৰে পুলৱামা জিলাক সন্ত্ৰাসবাদৰ পৰা মুক্ত কৰি দেশৰ ভিতৰত পেঞ্চিল জিলা হিচাপে নতুন পৰিচয় প্ৰদান কৰিছে।

অখুৱে দেশখনৰ ৯০ শতাংশ পেঞ্চিল শ্লেটছৰ যোগান ধৰে। এতিয়া পেঞ্চিলৰ সম্পূৰ্ণ উৎপাদন ইয়াৰে পৰা কৰাৰ প্ৰয়াস কৰি অঞ্চলটোক এক বিশেষ মণ্ডল হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। গাঁওখনৰ প্ৰায় ৪০০ জন লোক এই ব্যৱসায়ৰ সৈতে জড়িত যদিও এতিয়া ইয়াতকৈও অধিক নিয়োজনৰ সৃষ্টি হ'ব। যোৱা বছৰ পেঞ্চিল শ্লেটছৰ উৎপাদনৰ পৰা ১০৭ কোটি টকাৰ ৰাজহ সৃষ্টি হৈছিল।

অনন্তনাগ জিলাতো পেঞ্চিল শ্লেটছৰ নিৰ্মাণ হয়। কিন্তু 'পেঞ্চিল গাঁও' হিচাপে অখু সাহায্য লাভৰ বাবে যোগ্য প্ৰতিপন্ন হৈছে আৰু ই উদ্যোগটোক সম্প্ৰসাৰিত হোৱাত সহায় কৰিবলৈ সক্ষম হ'ব।

১৯৬০ চনৰ পৰা চিদাৰ কাঠ (দেওদাৰ)ৰ পৰাই পেঞ্চিল শ্লেটছৰ নিৰ্মাণৰ কাম চলি আহিছিল আৰু ইয়াৰ ফলত চিদাৰ বনাঞ্চলৰ পৰিমাণ হ্ৰাস পাই আহিছিল। পপলাৰ কাঠৰ ব্যৱহাৰ কৰাৰে পৰা কেন্দ্ৰীয়শাসিত প্ৰদেশখনত প্ৰাকৃতিক সম্পদ সংৰক্ষিত হোৱাত সহায় হৈছে। তাৰোপৰি কাশ্মীৰৰ ক্ৰিকেট বেটৰ এখন বজাৰো সৃষ্টি কৰা আৱশ্যক। কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপে হস্তশিল্পক সমৃদ্ধ কৰাই নহয় বৰঞ্চ ই ভ'কেল ফ'ৰ ল'কেলকো সমৃদ্ধ কৰাৰ লগতে জম্মু-কাশ্মীৰত আত্মনিৰ্ভৰ ভাৰতৰ সপোন বাস্তৱায়িত কৰি তুলিছে। ■

# বিনামূলীয়া তথ্য, মনোৰঞ্জনৰ সৈতে জনসাধাৰণৰ সৱলীকৰণ




ডিডি ফ্ৰী ডিশ্ব হ'ল দুৰ্গম তথা সীমান্ত এলেকাত গুণগতমানৰ তথ্য বিতৰণৰ এক ব্যয় সংকোচনী মাধ্যম আৰু সমাজৰ প্ৰান্তৰৰ্তী তথা দুৰ্বল অংশক মনোৰঞ্জন প্ৰদান কৰাৰ লগতে সৱলীকৃত কৰাতো অৰিহণা যোগাইছে

প্ৰাথমিক প্ৰয়োজনীয়তাখিনিৰ পিছতে তথ্য আৰু মনোৰঞ্জন মানুহৰ বাবে সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তা বুলি বিবেচিত হৈ আহিছে। কিন্তু ভাৰতৰ এক বিশাল সংখ্যক জনসাধাৰণে ব্যক্তিগত ডিটিএইচ অথবা কেবলৰ ব্যয় বহন কৰিব নোৱাৰে। তথ্যৰ প্ৰচাৰ আৰু জনসাধাৰণৰ সৱলীকৰণৰ নিশ্চিতিৰ বাবে ডিডি ফ্ৰী ডিশ্বে এককালীন কেৱল ১২০০ টকাৰ পৰা আৰম্ভ কৰি ততোধিক মূল্যত গ্ৰাহকসমূহলৈ সেৱা আগবঢ়াইছে।

এই অফাৰত দুৰদৰ্শন আৰু অল ইণ্ডিয়া ৰেডিঅ'ৰ সেৱাও অন্তৰ্ভুক্ত হৈ আছে যাৰ ফলত তৎকালীনভাৱে বাতৰি আদিও লাভ কৰিব পৰা হৈছে।

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী প্ৰকাশ জাভাড়েকাৰে কয় যে দুৰদৰ্শন আৰু অল ইণ্ডিয়া ৰেডিঅ'ৰ উৰাবাতৰি ৰোধ কৰাৰ ক্ষমতা আছে। দুৰদৰ্শন বিশ্বাসৰ এক প্ৰতিষ্ঠান।

ডিডি ফ্ৰী ডিশ্ব হ'ল ফ্ৰী-টু-এয়াৰ (এফটিএ) আৰু যিসকল লোকে ব্যক্তিগত ডিটিএইচ আৰু কেবলৰ ব্যয় বহন কৰিব নোৱাৰে তেওঁলোকৰ বাবে এক বৈকল্পিক ব্যয়সাধ্য প্লেটফৰ্ম। বিশ্বৰ বা-বাতৰি আৰু গুণগতমানৰ মনোৰঞ্জন যি কেৱল এক বিশেষ শ্ৰেণীৰ বাবে উচ্চ হাৰৰ ছাবস্ক্ৰিপছন ব্যয়তহে উপলব্ধ আছিল, সি এতিয়া জনসাধাৰণৰ বাবে ছাবস্ক্ৰিপছন মাচুল অবিহনে উপলব্ধ হৈ পৰিছে।

এই বিনামূলীয়া সেৱা যোগানৰ পৰিকল্পনা ১০ম পৰিকল্পনাতেই অনুমোদন জনোৱা হৈছিল। ইয়াক প্ৰসাৰ ভাৰতীৰ দ্বাৰা প্ৰণয়ন কৰা হৈছে। অন্যান্য ব্যক্তিগত ডিটিএইচ অপাৰেটৰসমূহৰ দৰে প্ৰসাৰ ভাৰতীয়ে ডিডি ফ্ৰী ডিশ্ব চেনেল উপভোগৰ বাবে দৰ্শকৰ পৰা মাহিলী অথবা বাৰ্ষিক ছাবস্ক্ৰিপছন মাচুল গ্ৰহণ নকৰে।

এই আঁচনি প্ৰাৰম্ভিক অৱস্থাত এছএফচিয়ে অনুমোদন জনাইছিল আৰু কেবিনেটৰ অনুমোদন ২০০৩ চনত অটল বিহাৰী বাজপেয়ীৰ চৰকাৰে প্ৰদান কৰিছিল। দুৰদৰ্শনৰ ২০টা চেনেল আৰু ব্যক্তিগত সম্প্ৰচাৰকৰ ১০টা চেনেলক অন্তৰ্ভুক্ত কৰি মুঠ ৩০টা চেনেলৰ সেৱা প্ৰদানৰ বাবে অনুমতি প্ৰদান কৰা হৈছিল আৰু ডিটিএইচ বাকেটত ব্যক্তিগত সম্প্ৰচাৰকৰ প্ৰচাৰ হোৱা চেনেলসমূহৰ পৰা প্ৰসাৰ ভাৰতীয়ে কেৰিয়েজ মাচুল উদ্ধাৰ কৰাৰ বাবে পূৰ্ণ প্ৰয়াস কৰিছিল।

অটল বিহাৰী বাজপেয়ী চৰকাৰৰ আমোলত এই আঁচনিখনক এছএফচিৰদ্বাৰা প্ৰাথমিকভাৱে অনুমোদন জনোৱা হৈছিল আৰু ২০০৩ত ই কেবিনেটৰ অনুমোদনো লাভ কৰিছিল। ফ্ৰী-টু-এয়াৰ ধৰণেৰে দুৰদৰ্শনৰ ২০ টা চেনেলৰ সঁফুৰা আৰু ১০ টা ব্যক্তিগত ব্ৰডকাষ্টাৰৰ চেনেলৰে গঠিত এটা ৩০ চেনেলযুক্ত কু-বেণ্ড বিতৰণ



“ফ্ৰি ডিছ হৈছে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ প্ৰতি মোদী চৰকাৰৰ উপহাৰ। ইয়াত ১০৪টাতকৈও অধিক চেনেল আছে। যিকোনো ইলেকট্ৰনিক দোকানলৈ গৈ মানুহে ফ্ৰি ডিছ কিনিব পাৰে। মাত্ৰ ১,২০০ টকা খৰচ কৰি তেওঁলোকে জীৱনভৰ বিনামূলীয়াকৈ অনুষ্ঠান চাব পাৰে। বেচৰকাৰী ডিটিএইচ অপাৰেটৰসকলে মাহিলি ছাবছক্ৰিপচন লয়। জি, ষ্টাৰ, ছনি, কালাৰ্ছৰ দৰে আন বিভিন্ন চেনেল ফ্ৰি ডিছত আছে। ইয়াত বাতৰি, খেলৰ লগতে শিক্ষাৰ ৩৪টা চেনেল আছে। আপুনি সেইবিলাক ব্যৱহাৰ কৰিব পাৰে। যাওক, বিনামূলীয়াকৈ ফ্ৰি ডিছ পাওক আৰু আজিয়েই ইনষ্টল কৰক”

**প্ৰকাশ জাভড়েকাৰ, কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী**

প্ৰণালী যুগুতত অনুমোদন জনোৱা হৈছিল আৰু প্ৰসাৰ ভাৰতীয়ে ডিটিএইচ সঁফুৰাটোত সন্নিৱিষ্ট হোৱা প্ৰাইভেট চেনেলসমূহৰ ব্ৰডকাষ্টাৰৰপৰা বহন মাচুল পুনৰুদ্ধাৰৰ বাবে সকলো প্ৰচেষ্টা হাতত লৈছিল।

## ডি ডি ফ্ৰি ডিছ ছেটটপ বক্স

ডিডি ফ্ৰি ডিছৰ বাবে দূৰদৰ্শনে কৰ্তৃত্বশীল ছেটটপ বক্স (এছ টি বি)ৰ প্ৰচলন কৰে আৰু এনে এছ টি বি প্ৰস্তুত কৰিবলৈ ১০টা প্ৰস্তুতকৰ্তাক তালিকাভুক্ত কৰা হয়। ই দৰ্শকক উন্নত দৰ্শন অভিজ্ঞতা প্ৰদান কৰে। বৰ্তমান অধিকাংশ এছ টি বি আমদানি কৰা হয়। অৱশ্যে, ভাৰতত এছ টি বিৰ নিৰ্মাণক উৎসাহিত কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ক্লডিজিটেল ইণ্ডিয়াক্স আৰু ক্সমেক ইন ইণ্ডিয়াক্সৰ সৈতে সমান্তৰালভাৱে প্ৰসাৰ ভাৰতীয়ে ইণ্ডিয়ান কণ্ডিচনেল এক্সেছ ছিষ্টেম (আই চি এ এছ) ৰূপায়ণ কৰে, যিটো হৈছে ডিডি ফ্ৰি ডিছ প্লেটফৰ্মত, এটা ভাৰতীয় চি এ এছ নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ MeitYৰ এটা প্ৰচেষ্টা।

দেশৰ সকলো অংশতে এই আঁচনি উপলব্ধ হক্সবৰ বাবে, চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত ভিতৰুৱা, পাহাৰীয়া আৰু বাঁওপন্থী উগ্ৰপন্থা (এল ডব্লিউ ই) অধ্যুষিত অঞ্চলৰ মানুহৰ মাজত ডিডি ফ্ৰি

## লকডাউনৰ সময়ত ডিজিটেল শিক্ষা

**স্বয়ম প্ৰভা**

শিক্ষাৰ বাবে বিনামূলীয়া ডিটিএইচ চেনেল

- মনোৰঞ্জন আৰু তথ্য প্ৰদান কৰাৰ উপৰিও এই আঁচনিয়ে ছাত্ৰ-ছাত্ৰীক বাধাহীন শিক্ষাৰ সুযোগ দিছে, আনকি মহামাৰীৰ বাবে বিদ্যালয়সমূহ বন্ধ হৈ থকাৰ সময়তো। স্বয়ম প্ৰভাৰ সৈতে ৩৪টা ডিটিএইচ চেনেলৰ এটা গোট আছে যি নগৰাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অনলাইন ক্লাছ কৰি থকাৰ সময়ত আওহতীয়া ঠাইত থকা ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ পৰা বঞ্চিত নোহোৱাটো নিশ্চিত কৰিছে।
- জিএছএটি-১৫ ছেটেলাইট ব্যৱহাৰ কৰি স্বয়ম প্ৰভা চেনেলে ২৪×৭ উচ্চ মানসম্পন্ন শৈক্ষিক কাৰ্যক্ৰম সম্প্ৰচাৰ কৰে। নিতৌ কমেও চাৰি ঘণ্টাৰ বাবে নতুন সূচী থাকে, এদিনত পাঁচবাৰ পুনৰ দেখুউৱা হয় যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সুবিধা অনুযায়ী সময় বাচি ল'ব পাৰে।
- ই স্নাতকোত্তৰ আৰু স্নাতকৰ তলৰ স্তৰত পাঠ্যক্ৰম-ভিত্তিক পাঠ আগবঢ়ায় যক্সত কলা, বিজ্ঞান, বাণিজ্য, পৰিৱেশ্য কলা, সমাজ বিজ্ঞান, হিউমেনিটিজ, ইঞ্জিনিয়াৰিং, টেকনলজি, আইন, মেডিচিন, কৃষি ইত্যাদি বিষয় সামৰি লোৱা হয়। স্কুলীয়া পাঠ্যক্ৰমৰ উপৰিও প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত হক্সবলৈ ই একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীকো সহায় কৰে।
- দূৰদৰ্শনৰ ১৭টা চেনেল আৰু ২৩টা প্ৰাইভেট এফ টি এ চেনেলসহ ২০০৪ত ডি ডি ডিটিএইচ প্লেটফৰ্মত ৩০ৰ পৰা ৪০টা টিভি চেনেললৈ সক্ষমতা বৃদ্ধিত অনুমোদন জনায়। পৰৱৰ্তী সময়ত চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত এই প্লেটফৰ্ম আৰু অধিক সম্প্ৰসাৰিত কৰা হয় আৰু বৰ্তমান ১১২টা এছডিটিভি চেনেল আৰু ৪৮টা ৰেডিঅ' চেনেল আছে। ইয়াত উপস্থাপিত বিভিন্ন বিশেষত্বৰে ডিডি ফ্ৰি ডিছৰ বাকেট বৈচিত্ৰ্যপূৰ্ণ আৰু সমৃদ্ধ।




## বাংলাদেশ, ছাউথ কোৰিয়াৰ চেনেলো প্ৰদান কৰে

২০১৯ৰ জুনৰ পৰা, ডিডি ফ্ৰি ডিছত বাংলাদেশ টিভিৰ মালিকানাধীন বিটিভি ৰ্ৱল্ড উপলব্ধ হয়। পূব ভাৰতৰ দৰ্শকৰ বাবে বিটিভি ৰ্ৱল্ড চেনেলৰ প্ৰতি বিশেষ আগ্ৰহ আছে। দক্ষিণ কোৰিয়াৰ চৰকাৰৰ এটা ২৪×৭ চেনেল হৈছে কেবিএছ ৰ্ৱল্ড আৰু ইও ডিডি ফ্ৰি ডিছত উপলব্ধ।

ডিছ ছেটটপ বক্স বিতৰণ কৰা হয়। যোৱা বছৰ জম্মু আৰু কাশ্মীৰ আৰু লাডাখত ৩০,০০০ ডিডি ফ্ৰি ডিছ ছেটটপ বক্স বিতৰণ কৰা হয়। চলিত বছৰতো আওহতীয়া আৰু এল ডব্লিউ ই অঞ্চলসমূহত ১,২০,০০০ ছেটটপ বক্স বিতৰণৰ পৰিকল্পনা কৰা হৈছে।

### বিস্তাৰিত পৰিসৰৰ চেনেল আগবঢ়োৱা হৈছে

ডিডি ফ্ৰি ডিছত বৰ্তমান জিইচি, মুভি, নিউজ, স্পৰ্টছ, ডিভচনেল আৰু মিউজিক চেনেলৰ দৰে বিস্তৃত পৰিসৰৰ ৩৮টা ডিডি চেনেল, ২টা পাৰ্লিয়ামেণ্টেৰী চেনেল, ২টা বিদেশী সেৱা সম্প্ৰচাৰ কৰা চেনেল আৰু ৬৭টা বেচৰকাৰী টিভি চেনেল আছে। ২০১৯ত ডিডি ফ্ৰি ডিছৰ জৰিয়তে ভাৰতৰ ছেটেলাইট ফুটপ্ৰিণ্টত ১১টা ৰাজ্যিক ডিডি চেনেল সংযুক্ত হয়। প্ৰথমবাৰৰ বাবে ছত্তিশগড়, গোৱা, হাৰিয়ানা, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ত্ৰিপুৰা, উত্তৰাখণ্ডৰ দৰে ৰাজ্যই ডিডি ফ্ৰি ডিছৰ জৰিয়তে এটা ছেটেলাইট নেটৱৰ্কত তেওঁলোকৰ নিজা চেনেল লাভ কৰিলে।

### ক্ষুদ্ৰ এক কালীন বিনিয়োগৰ প্ৰয়োজন

ডিডি ফ্ৰি ডিছৰ বাবে ডিছ ৰিচিভ ছিষ্টেম ক্ৰয় কৰিবলৈ এবাৰ মাথোঁ এটা ক্ষুদ্ৰ বিনিয়োগ কৰিব লাগে আৰু তেতিয়া ছেটটপ বক্সৰ লগতে সৰু ডিছ এণ্টেনা পাব আৰু জীৱনজুৰি বিনামূলীয়াকৈ চাব পাৰিব। ডিডি ফ্ৰি ডিছৰ অদ্বিতীয় আৰ্হিয়ে ইয়াক দেশৰ সৰ্ববৃহৎ ডিটিএইচ প্লেটফৰ্ম হিচাপে গঢ়ি তুলিছে, দেশজুৰি ৩.৮ কোটি ঘৰত ডিডি ফ্ৰি ডিছ আছে।

### আওহতীয়া ঠাইত টিভিৰ প্ৰচলন

আওহতীয়া, অগম্য আৰু সীমান্ত অঞ্চলত গৈ ডিডি ফ্ৰি ডিছ পাইছে আৰু লাখ লাখ দৰিদ্ৰ লোকৰ মাজত মানসম্পন্ন তথ্যৰ সঞ্চালনি কৰি কম ব্যয়ৰ মাধ্যম হিচাপে সমাজৰ প্ৰান্তীয় তথা দুৰ্বল শ্ৰেণীৰ সবলীকৰণৰ এটা আহিলাত পৰিণত হৈছে। ■

# ক'ৰোনাৰ নতুন সংক্ৰমণতকৈ সুস্থতাৰ হাৰ বৃদ্ধি




## কোভিড-১৯ৰ সংক্ৰমণ নিয়ন্ত্ৰণত ভাৰতে অধিক উন্নত ফল দেখুৱাইছে

ভাৰতে কোভিড-১৯ৰ বিৰুদ্ধে অটুট দৃঢ়তাৰে যুঁজ দি আছে। চৰকাৰৰ সময়োপযোগী পদক্ষেপ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'পৰীক্ষণ, চিনাক্তকৰণ আৰু চিকিৎসা' মন্ত্ৰই ভাৰতক সুস্থতাৰ হাৰৰ ক্ষেত্ৰত বিশ্বৰ শীৰ্ষ ১০খন দেশৰ ভিতৰত স্থান দিছে। বিশ্বৰ ভিতৰত ভাৰতত সৰ্বাধিকসংখ্যক লোক সুস্থ হৈ উঠিছে।


সমগ্ৰ বিশ্বই কোভিড-১৯ মহামাৰীৰ বিৰুদ্ধে যুঁজ দি আছে। দুটা বিষয়ক লৈ প্ৰকাশ পোৱা প্ৰতিবেদন যথেষ্ট উৎসাহজনক। প্ৰথমটো হ'ল, ৪ অক্টোবৰলৈ ক'ৰোনাৰ পৰা আৰোগ্য হোৱা ৰোগীৰ সংখ্যা ৫৫ লাখলৈ বৃদ্ধি পাইছে আৰু ই হৈছে বিশ্বৰ ভিতৰতে সৰ্বাধিক। দ্বিতীয়টো হ'ল, ২০ ছেপ্তেম্বৰ আৰু ৪ অক্টোবৰৰ ভিতৰত দৈনিক সুস্থ হোৱা লোকৰ সংখ্যা নতুন আক্ৰান্তৰ সংখ্যাতকৈ অধিক হৈছে।

ভাৰতত সুস্থতাৰ হাৰ ৮৪.৩৪ শতাংশলৈ বৃদ্ধি হৈছে, যি বিশ্বৰ ভিতৰতে সৰ্বাধিক। সহজ ভাষাত ইয়াৰ অৰ্থ হ'ল ১০০ জন ৰোগীৰ ৮৪ জন সুস্থ হৈ উঠিছে। এইপৰ্যন্ত ভাৰতত ৬৬,২৩,৫১৫ গৰাকী লোক কোভিড-১৯ত আক্ৰান্ত হৈছে। ইয়াৰে ৫৫,৮৫,৬৪৫ গৰাকী ৰোগী সুস্থ হৈ উঠিছে। দেশত এতিয়ালৈকে এই ভাইৰাছে ১,০২,৭২৩ গৰাকী লোকৰ প্ৰাণ কাঢ়ি নিছে। মৃত্যুৰ হাৰ হ'ল ১.৫৫ শতাংশ। সুস্থতাৰ হাৰ ৭০ শতাংশ হোৱা ৰাজ্যসমূহ ভিতৰত অন্যতম হ'ল মহাৰাষ্ট্ৰ, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, তামিলনাডু, উত্তৰ প্ৰদেশ, দিল্লী, উৰিষ্যা, কেৰালা, পশ্চিম বংগ, মধ্য প্ৰদেশ। মহাৰাষ্ট্ৰই এই তালিকাৰ শীৰ্ষস্থান দখল কৰিছে। ■




"মোৰ মৰমৰ দেশবাসী, এই ক'ৰোনা-কালত মই পুনৰ এবাৰ আপোনালোকক মনত পেলাই দিব বিচাৰো যে সদায় মাস্ক পৰিধান কৰক আৰু ফেচ শ্বিল্ড অবিহণে বাহিৰলৈ নোলাব। সামাজিক দূৰত্বই আপোনাক আৰু আপোনাৰ পৰিয়ালক নিৰাপদে ৰাখিব। কৰ'নাৰ বিৰুদ্ধে আমাৰ যুঁজত এই নিয়মসমূহ আমাৰ বাবে এক অস্ত্ৰ। আৰু এটা কথা পাহৰিব নালাগে যে যেতিয়ালৈকে প্ৰতিষেধক উদ্ভাৱন নহয়, তেতিয়ালৈকে আমাৰ প্ৰয়াস অব্যাহত ৰাখিব লাগিব

**-প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।**"



| এতিয়ালৈকে টেষ্ট হোৱা মুঠ নমুনা | ৪ অক্টোবৰত টেষ্ট সম্পন্ন হোৱা নমুনাৰ পৰিমাণ |
|---|---|
| ৭,৯৯,৮২,৩৯৪ | ৯,৮৯,৮৬০ |




Source:covid19india.org/

ভাৰতত ৮৪.৩৪ শতাংশ সুস্থতাৰ হাৰ।

ভাৰতত মৃত্যুৰ হাৰ ১.৫৫ শতাংশ।

# ‘ৰাষ্ট্ৰসংঘত সংস্কাৰ সাধন সময়ৰ আহ্বান’

*ছেপ্তেম্বৰত ৭৫ বাৰ্ষিকী সম্পূৰ্ণ কৰা ৰাষ্ট্ৰসংঘই নতুন বিশ্ব শৃংখলৰ সৈতে খাপ খুৱাব পৰাকৈ নিজকে নতুন ৰূপত সংস্কাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা নাই।*



ভাৰতে ৰাষ্ট্ৰসংঘত এক সংস্কাৰমূলক বহুপাক্ষিক ব্যৱস্থাৰ দাবী উত্থাপন কৰিছে। ৰাষ্ট্ৰসংঘৰ ৭৫বাৰ্ষিকী উপলক্ষে ভাষণ আগবঢ়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিষয়ত কিছু প্ৰাসংগিক প্ৰশ্ন উত্থাপন কৰে আৰু বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

যিহেতু ৰাষ্ট্ৰসংঘৰ যথেষ্ট অভিজ্ঞতা আছে আৰু ই এক প্ৰতিষ্ঠিত প্ৰতিষ্ঠান, গতিকে ই গুৰুত্বপূৰ্ণ গোলকীয় সমস্যা সমাধানৰ ক্ষেত্ৰত বহুখিনি কৰিবলগীয়া আছে। কিন্তু কোভিড-১৯ মহামাৰীয়ে সমগ্ৰ বিশ্বক গ্ৰাস কৰাৰ সময়ত ৰাষ্ট্ৰসংঘই একপ্ৰকাৰ নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰিছে।

প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয়, “ ৰাষ্ট্ৰসংঘৰ প্ৰতিক্ৰিয়া, প্ৰক্ৰিয়া আৰু চৰিত্ৰৰ সংস্কাৰ সাধন হোৱাটো সময়ৰ আহ্বান। ভাৰতৰ নাগৰিকে ইয়াৰ সংস্কাৰ সম্পূৰ্ণ হোৱালৈ দীৰ্ঘদিনৰ পৰা অপেক্ষা কৰি আছে। জনসাধাৰণ চিন্তিত যে এই সংস্কাৰ প্ৰক্ৰিয়াই কেতিয়াবা ইয়াৰ যুক্তিসন্মত পৰিসমাপ্তি ঢুকি পাবনে? ”

প্ৰধানমন্ত্ৰীয়ে প্ৰশ্ন কৰে, “ যি সময়ত ভাৰতত পৰিৱৰ্তন সাধন হ'লে সমগ্ৰ বিশ্ব উপকৃত হ'ব তেনে সময়ত আৰু কিমান দিনলৈ ভাৰতে অপেক্ষা কৰিব লাগিব। এই ২১ শতিকাত আমাৰ বৰ্তমান আৰু ভৱিষ্যতৰ আৱশ্যক আৰু প্ৰত্যাহ্বানসমূহ অতীততকৈ যথেষ্ট পৃথক। ১৯৪৫ৰ পৰিস্থিতিৰ ভিত্তিত গঠিত ৰাষ্ট্ৰসংঘৰ চাৰিত্ৰিক বৈশিষ্ট আজিৰ পৰিৱেশত কিদৰে প্ৰাসংগিক হ'ব? ”

বিগত বছৰসমূহত বিশ্ববাসীয়ে তৃতীয় বিশ্ব যুদ্ধৰ পৰা হাত সাৰিব পাৰিছে, কিন্তু যুদ্ধ, সামৰিক যুদ্ধ, সন্ত্ৰাসবাদীৰ আক্ৰমণ আদিয়ে বিশ্বত এতিয়াও ধ্বংসাত্মক কাৰ্য চলাই আছে আৰু লাখ লাখ লোক শৰণাৰ্থী হৈ আছে। এই সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ কোনো ভূমিকা দেখিবলৈ পোৱা নাযায়। যোৱা ৮-৯মাহ ধৰি বিশ্বই কোভিড-১৯ৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। মহামাৰীৰ বিৰুদ্ধে এই যুঁজত ৰাষ্ট্ৰসংঘ ক'ত আছে? কিন্তু ভাৰতে বিশ্ব সমুদায়ক সহায়ৰ হাত আগবঢ়াই আছে। ১৩০কোটি জনসংখ্যাৰে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ দেশ ভাৰতক ৰাষ্ট্ৰসংঘৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাৰ পৰা আঁতৰাই ৰখা হৈছে, যাৰ জনসংখ্যা বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৮ শতাংশ। ‘ৰাষ্ট্ৰসংঘলৈ ভাৰতৰ অৱদান প্ৰত্যক্ষ কৰা প্ৰতিগৰাকী ভাৰতীয়ই ৰাষ্ট্ৰসংঘত

## ভাৰতঃ বিকাশৰ এক নতুন আৰ্হি

- এখন আত্মনিৰ্ভৰ ভাৰত গোলকীয় অৰ্থনীতিৰ বাবে শক্তিশালী পূৰক হ'ব পাৰে।
- ৪০ কোটি লোকক বেংকিং ব্যৱস্থাৰ সৈতে সংযুক্ত কৰি ভাৰতে কোটি কোটি লোকৰ জীৱন সলনি কৰিছে।
- ৪-৫ বছৰত ৬০ কোটিৰো অধিক লোকক মুকলিত শৌচ কৰাৰ পৰা মুক্ত কৰিছে।
- ৫০কোটি লোকক বিনামূলীয়া স্বাস্থ্যসেৱাৰ সুবিধা।
- সৰলীকৰণ আৰু স্বচ্ছতা নিশ্চিত কৰিবলৈ ডিজিটেল লেনদেনত অধিক গুৰুত্ব আৰোপ কৰা ভাৰত হ'ল অন্যতম অগ্ৰণী দেশ।
- ২০২৫ৰ ভিতৰত দেশত টিবিমুক্ত কৰিবলৈ ভাৰতে এক বৃহৎ অভিযান ৰূপায়ন কৰিছে।
- ভাৰতে ১৫ কোটি গ্ৰাম্য পৰিয়ালক পাইপৰ জৰিয়তে খোৱা পানীৰ সুবিধা আগবঢ়োৱাৰ এক আঁচনি ৰূপায়ন কৰিছে।
- ভাৰতে প্ৰায় ৬লাখ গাঁওক ব্ৰ'ডবেণ্ড অপ্টিকেল ফাইবাৰৰ সৈতে সংযুক্ত কৰাৰ এক বৃহৎ প্ৰকল্প আৰম্ভ কৰিছে।
- ভাৰত হ'ল এনেকুৱা এখন দেশ, য'ত মহিলাক ২৬ সপ্তাহৰ বাবে দৰমহাৰ সৈতে মাতৃত্বকালীন ছুটি আগবঢ়োৱা হয়।

## বিশ্ব শান্তিৰ বাবে সংকল্প

- ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ অস্থায়ী সদস্য হিচাপে ভাৰতে জানুৱাৰী, ২০২১ৰ পৰা দুবছৰৰ বাবে বিশ্ব কল্যাণৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।
- ভাৰতে প্ৰায় ৫০ শান্তিৰক্ষাকাৰী অভিযানলৈ নিজৰ সৈনিক প্ৰেৰণ কৰিছে।
- এই অভিযানত মৃত্যু হোৱা সৰ্বাধিকসংখ্যক সৈনিক ভাৰতৰ।
- ২ অক্টোবৰত আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস আৰু ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস।
- দূৰ্যোগ প্ৰশমন আন্তঃগাথনিৰ বাবে জোঁট গঠন আৰু আন্তঃৰাষ্ট্ৰীয় সৌৰ মৈত্ৰী ভাৰতৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছে।
- ভাৰতৰ 'চুবুৰীয়াক প্ৰথম অগ্ৰাধিকাৰ নীতি'ৰ পৰা 'পূবলৈ চোৱা নীতি' আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগীৰ লক্ষ্য হ'ল অঞ্চলটোৰ সকলোৰে বাবে সুৰক্ষা আৰু বিকাশ নিশ্চিত কৰা। ভাৰতে সদায় মানৱতাৰ কল্যাণৰ হকে কাম কৰিছে।
- ফাৰ্মাচিউটিকেল উদ্যোগে প্ৰায় ১৫০খন দেশলৈ অত্যাৱশ্যকীয় ঔষধ প্ৰেৰণ কৰিছে।
- প্ৰতিষেধক উৎপাদন কৰা বিশ্বৰ সৰ্ববৃহৎ দেশ হিচাপে ভাৰতে কৰোনা মহামাৰীৰ বিৰুদ্ধে যুঁজত মানৱ জাতিক সহায় কৰিবলৈ ইয়াৰ সকলো সক্ষমতা প্ৰয়োগ কৰে।
- যেতিয়া শক্তিশালী হৈ থাকে, তেতিয়াও ভাৰতে বিশ্বক সমস্যাত নেপেলায় আৰু যেতিয়া দূৰ্বল হৈ পৰে, তেতিয়াও ভাৰত বিশ্বৰ বাবে বোজা হৈ নাথাকে।

### ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ স্থায়ী সদস্য সন্দৰ্ভত

- ১৭জুন, ২০২০ত ভাৰত অষ্টমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ অস্থায়ী সদস্য হিচাপে দুবছৰৰ বাবে নিৰ্বাচিত হয়।
- ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ ১৫ খন সদস্য ৰাষ্ট্ৰ আছে। ইয়াৰে ৫ খন স্থায়ী সদস্য-আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, ফ্ৰান্স, ৰাছিয়া আৰু চীন। বাকী ১০ খন ৰাষ্ট্ৰ ইয়াৰ অস্থায়ী সদস্য। অস্থায়ী সদস্যৰ আধা প্ৰত্যেক বছৰ নিৰ্বাচিত হয় আৰু প্ৰতিখন সদস্য ৰাষ্ট্ৰ দুবছৰৰ বাবে নিৰ্বাচিত হয়।

ভাৰতৰ ব্যাপক ভূমিকা প্ৰত্যক্ষ কৰিব বিচাৰে। ৰাষ্ট্ৰসংঘৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত মই আত্মবিশ্বাসী যে ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহে এই মহান প্ৰতিষ্ঠানটোৰ প্ৰাসংগিকতা অটুট ৰাখিবলৈ এক শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব।'- প্ৰধানমন্ত্ৰীয়ে কয়। ■

SCAN QR CODE FOR PM'S COMPLETE SPEECH AT UNGA



● পি.ভি সিন্ধু

# আমি ইতিবাচক, ধৈৰ্যশীল আৰু আশাবাদী হৈ থাকিব লাগিব

*চৰকাৰে আমাক কৈছে কিদৰে আমি নিজকে সুৰক্ষিত ৰাখিবলৈ সাৱধানতা অৱলম্বন কৰা উচিত। আমি শেহতীয়াকৈ অনুশীলন আৰম্ভ কৰিছো আৰু সুন্দৰভাৱে এয়া চলি আছে। অৱশ্যে, প্ৰতিযোগিতা আৰু ক্ৰীড়াৰ সৈতে জড়িত কোনো কাৰ্যকলাপ আৰম্ভ হোৱা নাই।*

কোভিড-১৯ মহামাৰীয়ে সকলো স্তব্ধ কৰি দিছে। সকলো ঘৰৰ ভিতৰত আৱদ্ধ হৈ থাকিবলৈ বাধ্য হৈছে।অলিম্পিককে ধৰি সকলো প্ৰতিযোগিতা স্থগিত ৰাখিবলগীয়া হৈছে। কিন্তু এই সকলোবোৰতকৈ জীৱন প্ৰথম। গতিকে ঘৰৰ ভিতৰত থাকক, সুৰক্ষিত থাকক। ময়ো আনকি ঘৰতে অনুশীলন চলাই আছো, কাৰণ ক'ৰোনা ভাইৰাছ সকলোতে থাকিব পাৰে আৰু ই দ্ৰুতগতিৰে সংক্ৰমিত হৈ আছে। কেৱল ভাৰতে নহয়, বিশ্বৰ যিকোনো প্ৰান্ত ভ্ৰমণ কৰাতো এতিয়া নিৰাপদ নহয়। ক্ৰীড়াবিদ হিচাপে আমি ইতিবাচক, সংযমী আৰু আশাবাদী হৈ থাকিব লাগিব যে শীঘ্ৰে সকলো সুন্দৰ হৈ উঠিব।

চৰকাৰে কোভিড-১৯ৰ মোকাবিলা কৰিবলৈ বিভিন্ন পদক্ষেপ হাতত লৈছে আৰু মই চৰকাৰৰ ওচৰত কৃতজ্ঞ। যিহেতু অলিম্পিক এবছৰৰ বাবে স্থগিত ৰখা হৈছে, গতিকে কেৱল অলিম্পিকৰ সম্ভাব্য খেলুৱৈসকলকহে অনুশীলনৰ অনুমতি দিয়া হৈছে। চৰকাৰে আমাক কৈছে কিদৰে আমি নিজকে সুৰক্ষিত ৰাখিবলৈ সাৱধানতা অৱলম্বন কৰা উচিত। আমি শেহতীয়াকৈ অনুশীলন আৰম্ভ কৰিছো আৰু সুন্দৰভাৱে এয়া চলি আছে। অৱশ্যে, প্ৰতিযোগিতা আৰু ক্ৰীড়াৰ সৈতে জড়িত কোনো কাৰ্যকলাপ আৰম্ভ হোৱা নাই। চৰকাৰে স্বাস্থ্য সুৰক্ষাৰ বাবে সদায় দিহা-পৰামৰ্শ আৰু নীতি-নিৰ্দেশনা জাৰি কৰি আছে। একাংশ খেলুৱৈ হয়তো হতাশাৰ সন্মুখীন হৈছে আৰু আন একাংশই ভৱিষ্যতলৈ কি হ'ব, সেয়া চিন্তা কৰি উদ্বিগ্ন হৈ পৰিছে। মই মাথো ক'ব বিচাৰো যে যিহেতু এয়া এক গোলকীয় সংকট, গতিকে বিশ্বৰ সকলো ক্ৰীড়াবিদে সমস্যাৰ সন্মুখীন হৈছে। কোভিড-১৯ মহামাৰীয়ে খেলুৱৈসকলৰ উপাৰ্জনতো প্ৰভাৱ পেলাব। কিন্তু মই নিশ্চিত যে পৰিস্থিতি সোনকালে স্বাভাৱিক হ'ব।

ক'ৰোনাৰ সংক্ৰমণৰ পূৰ্বে এগৰাকী ক্ৰীড়াবিদ হিচাপে আমি প্ৰশিক্ষণ আৰু ভ্ৰমণত অত্যন্ত ব্যস্ত আছিলো। ময়ো কেইবাখনো প্ৰতিযোগিতাত ভাগ লোৱাৰ বাবে ভ্ৰমণত ব্যস্ত আছিলো। কিন্তু এতিয়া আমি প্ৰায় ৫-৬ মাহ ঘৰৰ ভিতৰতে আৱদ্ধ হৈ আছো। তথাপি নিজকে ব্যস্ত ৰখাতো যথেষ্ট প্ৰয়োজন আৰু মই খেলুৱৈসকলক ক'ব বিচাৰো যে সকলোৱে যাতে কিবা নহয় কিবা কামত নিজকে ব্যস্ত ৰাখে। আমি হয়তো অতি সোনকালে বাহিৰলৈ ওলাই গৈ খেলিব নোৱাৰিম, কিন্তু শাৰীৰিক ব্যায়াম অত্যন্ত প্ৰয়োজনীয়।

পৰিস্থিতি স্বাভাৱিক হোৱাৰ পিছতো আমি সতৰ্ক হৈ থাকিব লাগিব। আমি সামাজিক দূৰত্ব বৰ্তাই ৰাখিব লাগিব, মাস্ক পৰিধান কৰিব লাগিব, বিশেষকৈ প্ৰতিযোগিতাত অংশ ল'বলৈ যোৱাৰ সময়ত অথবা ভ্ৰমণৰ সময়ত। সকলোৱে হাতত ছেনিটাইজাৰ লৈ ফুৰা উচিত আৰু কৰমৰ্দনৰ পৰা আঁতৰি থকা উচিত। প্ৰত্যেকগৰাকী ব্যক্তিয়ে সাৱধানতা বৰ্তাই ৰাখিব লাগিব। মাস্ক পৰিধান কৰা আৰু বাহিৰৰ পৰা আহি ঘৰ সোমোৱাৰ পাছত গা ধোৱাটো অভ্যাসত পৰিণত হ'ব লাগে। আশা কৰিছো আমি শীঘ্ৰে স্বাভাৱিক পৰিস্থিতিলৈ উভতি যাবলৈ সক্ষম হ'ম। আমি এই কথাও বুজি উঠিব লাগিব যে ষ্টেডিয়ামত দৰ্শক উপস্থিত নাথাকিব আৰু আমি দৰ্শক অবিহনে খেলাৰ পৰিৱেশৰ সৈতে নিজকে খাপ খুৱাই ল'ব লাগিব। ■



# বৰফৰ স্তূপ

## লাডাখত আত্মনিৰ্ভৰশীল জনজাতীয় গাওঁসমূহৰ বাবে

**লাডাখৰ জনজাতীয় গাঁওসমূহত অভিনৱ পানী পৰিচালনা প্ৰণালীয়ে পৰম্পৰাগত কৃষিক ঘূৰাই আনি ৰাইজক আত্মনিৰ্ভৰ কৰাৰ উপৰিও যুৱকসকলৰ প্ৰব্ৰজন ৰোধ কৰিছে**

লাডাখৰ এই শীতল মৰুভূমি ৩,০০০ মিটাৰৰ গড় উচ্চতাত অৱস্থিত। এই অঞ্চলত গাঁওবিলাক এটা জুৰীৰ পাৰত থকা শূন্য মৰুত সৰু সৰু উৰ্বৰা ঠাইৰ কাষে কাষে অথবা গ্ৰীষ্মকালীন গলিত পানীৰ নিজৰাবিলাকৰ মাজত অৱস্থিত।

কিন্তু যোৱা কেইটামান বছৰত তাপমাত্ৰাৰ গড় ক্ৰমে বৃদ্ধি পোৱাৰ ফলত পানীৰ পৰ্যাপ্ততা বৰ বেয়াকৈ কমি আহিছে আৰু হিমবাহবোৰ সৰু হৈ আহিছে। পানীৰ নাটনিয়ে গাঁওবাসীক তেওঁলোকৰ পৰম্পৰাগত কৃষিকৰ্ম ত্যাগ কৰিবলৈ আৰু আন ঠাইলৈ গুছি যাবলৈ বাধ্য কৰিছে।

আৰু এতিয়া বৰফৰ স্তূপৰ ব্যৱহাৰে পানীৰ নাটনি আৰু ইয়াৰ ফলত সৃষ্টি হোৱা সমস্যা সফলতাৰে সমাধান কৰিছে। জনজাতি পৰিক্ৰমাৰ কেন্দ্ৰীয় মন্ত্ৰালয়ে ২০১৯ৰ নৱেম্বৰত হিমালয়ান ইনষ্টিটিউট অফ অলটাৰনেটিভছ, লাডাখৰ সহযোগত লাডাখৰ জনজাতীয় লোকসকলৰ নথি প্ৰস্তুত কৰণ, গৱেষণা আৰু উন্নয়নৰ বাবে এটা প্ৰকল্প আৰম্ভ কৰে। ই হৈ পৰিছে পৰিত্যক্ত গাঁওবাসীক বৰফৰ স্তূপৰ জৰিয়তে পুনৰ্বাসন দিয়াৰ এটা প্ৰধান উপাদান।

২০১৯-২০ৰ সময়ছোৱাত, মন্ত্ৰালয়ে সমগ্ৰ লাডাখৰ ২৬টা স্থানত বৰফৰ স্তূপ সৃষ্টি কৰাত সহায় কৰিছিল আৰু গাঁও স্তৰৰ ২৫০ ষ্টেকহল্ডাৰক এই কাৰ্যসূচীত প্ৰশিক্ষণ দিয়া হৈছিল। তদুপৰি, এই কাৰ্যসূচীৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ সমগ্ৰ লাডাখতে কৰ্মশালা, প্ৰশিক্ষণ শিবিৰ, বৃক্ষ ৰোপণ আদি কৰা হয়, যাৰ পৰিণাম স্বৰূপে শীত কালত ৭.৫ কোটি লিটাৰ পানী সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব পৰা গক্সল। 'ফাষ্টি লাডাখ আইচ ক্লাইম্বিং ফেষ্টিভেলক্সৰ দৰে ইক'-টুৰিজম অনুষ্ঠানে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে সম্ভাৱনাৰ দুৱাৰ মুকলি কৰে। ২০১৯ৰ নৱেম্বৰত এই উৎসৱ কুলুমত আৰম্ভ কৰা হয় আৰু হিমবাহে সৃষ্টি কৰা পৰিৱেশৰ বাবে ২০১২ত ইয়াক সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিবলগীয়া হয়, পিছত ২০১৯ত কুলুমত পুনৰ এই উৎসৱ আৰম্ভ হয়। ২০২০ৰ ফেব্ৰুৱাৰীৰ মাজভাগত কুলুমৰ উপৰিভাগত ৩,০০,০০০ লিটাৰ পানী সংৰক্ষণেৰে ৪৫ফুট উচ্চতাৰ এটা বৰফৰ স্তূপ নিৰ্মাণ কৰা হয়। এই স্তূপ এপ্ৰিলৰ শেষৰ ফালে গলি যায় আৰু কুলুমৰ পথাৰত পৰ্যাপ্ত পানীৰ ব্যৱস্থা হয়। আসন্ন শীত কালত সমগ্ৰ লাডাখতে ৫০খন ঠাইত বৰফৰ স্তূপ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। অহা বছৰবিলাকত এই কাৰ্যসূচী পানীৰ প্ৰবন্ধনতে সীমাবদ্ধ নাথাকি ই গাঁৱৰ পৱিত্ৰ পুনৰ বাসন আৰ্হিত পৰিণত হ'ব। ইয়াৰ বাবে হাতত ল'বলগীয়া কামৰ ভিতৰত আছেঃ

- বান সমস্যা ৰোধ কৰিবলৈ আৰু বায়ুমণ্ডল পৰিচ্ছন্ন ৰাখিবলৈ আপাৰ ভেলি প্লেণ্টেচন
- আধুনিক বৃক্ষৰোপণ আৰু জলসিঞ্চনৰে সংযুক্ত কাম যিবিলাক ড্ৰিপ ইৰিগেচন আৰু হাইড্ৰফনিক ছিষ্টেমৰ দৰে জল প্ৰৱণ নহয়।
- দৈনন্দিন ব্যৱহাৰৰ বাবে বিকল্প প্ৰযুক্তি যেনে বতাহ, ছ'লাৰ বায়'গেছ ইত্যাদি।

যুৱকসকলৰ প্ৰব্ৰজন ৰোধ কৰিবলৈ, হিমালয়ান ফাৰ্মষ্টেজ ইনিছিয়েটিভৰ দ্বাৰা এই গাঁওসমূহত জীৱিকাৰ সুযোগৰ সৃষ্টি কৰা হয় যাৰ জৰিয়তে পামঘৰবিলাকত পৰ্যটকৰ থকাৰ ব্যৱস্থা কৰা হয়। ■





# ক'ৰোনাৰ সময়ৰ সুযোগ


*ক'ৰোনাৰে যুঁজিবলৈ আই আই টি বম্বেই এটা ঔষধযুক্ত মাস্ক উলিয়াইছে আৰু ই এই সংকট কালত সহায়ক হিচাপে পৰিগণিত হৈছে।*

## মাস্ক ছমাহৰ বাবে ব্যৱহাৰযোগ্য



এইকেইটা দিনত মাস্ক অপৰিহাৰ্য হৈ পৰিছে। কিন্তু ঘনে ঘনে সলাই থাকিবলগীয়া হ'লে ধন আৰু সময় ব্যয় হয়। এনে এক সময়ত ঘনে ঘনে সলাই থাকিব নলগীয়া মাস্কৰ খুবেই প্ৰয়োজন হয়। মহিলাক সবলীকৰণ কৰাৰ লক্ষ্যৰে গঠিত জীৱিকা দিদি নামৰ গ্ৰামীণ ভাৰতৰ মহিলা গোটসমূহৰ সহযোগত আই আই টি বম্বেই সঘনাই সলনি কৰিবলগীয়া নোহোৱা এটা ঔষধযুক্ত মাস্ক প্ৰস্তুত কৰে। এই মাস্ক নোধোৱাকৈ একেৰাহে ছমাহৰ বাবে ব্যৱহাৰ কৰিব পাৰি। আই আই টি বম্বেৰ বিশেষজ্ঞসকলে বৈশালী আৰু পাটনা জিলাৰ জীৱিকা দিদিসকলক অনলাইন প্ৰশিক্ষণ দিয়ে। ইতিমধ্যে পাঁচ লাখ মাস্ক প্ৰস্তুত কৰি স্বাস্থ্য বিভাগক জমা দিয়া হয়। সমান্তৰালভাৱে বজাৰতো সিবিলাকৰ পৰ্যাপ্ততাৰ বাবে চেষ্টা চলাই থকা হৈছে। বিধানসভা নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগেও এই মাস্ক ব্যৱহাৰ কৰাৰ কথা। জীৱিকা দিদিসকলে কয় যে মাস্ক প্ৰস্তুত কৰোঁতে আই আই টি বম্বেৰ পৰা দিয়া ঔষধ গৰম পানীত মিহলাই এটা মিশ্ৰণ তৈয়াৰ কৰা হয়। মাস্কবিলাক এই মিশ্ৰণত ডুবাই ৰখা হয় আৰু পেকেট কৰাৰ আগতে শুকুৱাই লোৱা হয়। নিতৌ ১০০০ টকালৈ উপাৰ্জন কৰি জীৱিকা দিদিসকলে ২০০-৬০০ মাস্ক তৈয়াৰ কৰি আছে। ■

## নগৰীকৰণৰ মাজতে সেউজীয়া বাগিছা



আধুনিক মহানগৰসমূহৰ কংক্ৰিটৰ অৰণ্যৰ মাজত সেউজীয়াৰ বাবে মানুহৰ মনত জাগি উঠা আকাংক্ষা পূৰণ কৰাটো সম্ভৱ নহয়। কিন্তু ইচ্ছা থাকিলে পূৰণৰ পথো ওলাবই। গ্ৰীণ মেন হিচাপে পৰিচিত দিল্লীৰ পদম সিঙে কৰোণা কালত ছাদৰ ওপৰৰ বাগিছাত ১০৫বিধ উদ্ভিদ ৰোপন কৰি নিজৰ মনোকামনা পূৰণ কৰে। তেওঁ ৩৫বিধ ফল-মূল লগায়, যক্লত আছে আম, মধুৰী, আঙুৰ, নেমু, কমলা, মৌচুমী, কিনু, ডালিম ইত্যাদি। ফল-মূলৰ উপৰিও তেওঁ জাতিলাউ, কেৰেলা, বেঙেনা, মূলা, জিকা, পালেং আদি ১৫বিধ শাক-পাচলি লগায়। পদম সিঙে কয়, 'লকডাউনৰ সময়ত মানুহ চিন্তাত পৰিল, কিন্তু মই সুযোগৰ সৎ ব্যৱহাৰ কৰিলোঁ। মই নিজেই নতুন গছ ৰোপন কৰাৰ উপৰিও আনকো সেউজ বাগিছাৰ প্ৰতি আকৰ্ষিত কৰোঁ।'মানুহক পৰামৰ্শ দিবলৈ তেওঁ এটা হোৱাটছএপ গ্ৰুপ গঠন কৰে আৰু বিচৰাসকলক শাক-পাচলি দিয়ে। লকডাউনৰ পিছত বাগিছা পতাৰ বিষয়ে জানিবলৈ মানুহে তেওঁৰ ওচৰত ভিৰ কৰেহি। মানুহে যাতে সেউজীয়া বাগিছা পতাক চখ হিচাপে ল'ব পাৰে তাৰবাবে পদম সিঙে বিনামূলীয়াকৈ গছপুলি বিতৰণ কৰি আছে। ■



**Narendra Modi** @narendramodi ·
Reforms in @UN are the need of the hour.

130 crore Indians have great respect for the UN but they have also been waiting since long for the reform process in the UN to reach its logical end.

Till when can a nation like India be kept away from UN's decision making structures?



**Rajnath Singh** @rajnathsingh ·
This IDEX4Fauji initiative will bolster frugal innovative ideas from soldiers and help to revolutionise the future of our Armed Forces.

Our soldier would not only have a thorough understanding of their own requirements but also have necessary support of innovators & Startups.



**Amit Shah** @AmitShah ·
Ishwar Chandra Vidyasagar ji championed for women rights, he campaigned relentlessly for the widow re-marriage act and towards their empowerment. Vidyasagar ji's towering and immortal legacy will always continue to be a source of inspiration for millions across the world.



**Office Of Nitin Gadkari** @Offic... ·
Provisions have been made for the producing and obtaining certificates in physical and electronic form. The records includes the validity, issuance of documents, date-time stamping of inspection and the officers.
#SadakSurakshaJeevanRaksha



**Dharmendra Pradhan** @dprad.....
Energy diplomacy and its alignment with our foreign policy & robust energy policies in the last 6 years has delivered tangible and substantive results in enhancing India's energy security. Diversifying our sourcing of hydrocarbons,we are now sourcing crude from over 30 countries.



**Hardeep Singh Puri** @Hardee...
Soaring Higher!
Domestic Operations on 29th September 2020, Day 129 till 2359 hrs.
Departures 1338
1,18,861 passengers handled.
Arrivals 1335
1,18,771 passengers handled.
Total movements 2673
Footfalls at airports 2,37,632
Total number of flyers 1,18,861



RNI No. :
DELASS/2020/78827
October: 16-31, 2020

# NEW INDIA SAMACHAR FORTNIGHTLY

RNI Registered No DELASS/2020/78827 Delhi Postal License No DL (S)-1/3547/2020-22
WPP No U(S)-95 posting at BPC, MEGHDOOT BHAWAN, New Delhi-110 001.
On 13-17 advance Fortnightly **(Publishing Date October 05, 2020, Pages-36)**



# এক ভাৰত শ্ৰেষ্ঠ ভাৰত

“

চৰ্দাৰ পেটেল আছিল কৌটিল্যৰ কূটনীতি আৰু শিবাজী মহাৰাজৰ সাহসিকতাৰ সংমিশ্ৰণ। প্ৰিঞ্চলি ষ্টেটছক সম্বোধন কৰি ১৯৪৭ৰ ৫ জুলাইত তেওঁ কৈছিল, 'আমাৰ আন্তৰ্জাতিক সংঘাত আৰু শত্ৰুতা হৈছে বিদেশী দখলদাৰীসকলৰ বিৰুদ্ধে আমাৰ পৰাজয়ৰ প্ৰধান কাৰণ। এতিয়া আমি নিশ্চিতভাৱে একেই ভুলকে পুনৰ কৰিব নালাগিব বা আকৌ কাৰোবাৰ দাস হ'ব নালাগিব। 'চৰ্দাৰ চাহেবৰ কথা শুনি বা একতাৰ শক্তি উপলব্ধি কৰি প্ৰিঞ্চলি ষ্টেটছে তেওঁলোকৰ ৰাজ্যসমূহক একত্ৰিত কৰিছিল। সোনকালেই ভাৰত এক হৈ পৰিছিল।

**একতাৰ মূৰ্ত্তি উন্মোচন কৰি**
**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী**

Assamese

**Published & Printed by: Satyendra Prakash**, DG, BOC on behalf of Bureau of Outreach and Communication

**Editor: Kuldeep Singh Dhatwalia**, PDG, PIB, New Delhi

**Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at** Viba Press Pvt Ltd. C-66/3, Okhla Ind Area Phase-II, New Delhi 20